www.newsnextone.com
e সংবাদ

## মোদীক হত্যাৰ ভাবুকি, মহিলা ধৃত

**মুম্বাই, ২৮ নৱেম্বৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হত্যাৰ ফৌনিক ভাবুকি প্ৰদান কৰি গ্ৰেপ্তাৰ হ'ল এগৰাকী ৩ পৃষ্ঠাত চাওক

## 'হিমন্তৰাজ'ত নাই নাৰীৰ সুৰক্ষাঃ ৰাতুল

**গুৱাহাটী, ২৮ নৱেম্বৰঃ** নাৰী নিৰ্যাতন, ধৰ্ষণ কাৰ্যত লিপ্ত বিজেপি নেতাৰ বিৰুদ্ধে গৰজি উঠিল ৬ পৃষ্ঠাত চাওক

FRIDAY, NOVEMBER 29, 2024 ■ শুকুৰবাৰ, ১৩ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৬ Guwahati, Assam ।। মূল্যঃ এটকা

■ প্ৰতি ১০ মিনিটত আপোনজনৰ হাতত এগৰাকী নাৰীৰ মৃত্যু

**ৰাষ্ট্ৰসংঘৰ ২০২৩ বৰ্ষৰ প্ৰতিবেদনত উদ্বেগজনক তথ্য**

# প্ৰিয়জনেই কাঢ়িলে ৫১ হাজাৰ মহিলাৰ প্ৰাণ



**মুম্বাই, ২৮ নৱেম্বৰঃ** নিজৰ পৰিয়াল আৰু আত্মীয়ৰ ওচৰতে সুৰক্ষিত নহয় আধুনিক সমাজৰ নাৰী! শেহতীয়াকৈ ৰাষ্ট্ৰসংঘৰ মহিলা উন্নয়ন সংস্থা আৰু ড্ৰাগছ আৰু অপৰাধৰ কাৰ্যালয় (ইউএনঅ'ডিচি)য়ে প্ৰকাশ কৰা এই প্ৰতিবেদনত পোহৰলৈ শেষাংশ ২ পৃষ্ঠাত

## যোগীৰ ৰাজ্যত নাৰ্ছক দলবদ্ধ ধৰ্ষণ

**লক্ষ্ণৌ, ২৮ নৱেম্বৰঃ** এগৰাকী মহিলা চিকিৎসা কৰ্মীক দলবদ্ধ ধৰ্ষণ কৰি পাশৱিক অত্যাচাৰ চলোৱাৰ শেষাংশ ৩ পৃষ্ঠাত

## সাংসদ ৰূপে প্ৰিয়ংকা গান্ধীৰ শপত গ্ৰহণ

**নতুন দিল্লী, ২৮ নৱেম্বৰঃ** সংসদ ভৱনত প্ৰৱেশ ঘটিল গান্ধী পৰিয়ালৰ আন এগৰাকী সদস্যৰ। শেষাংশ ২ পৃষ্ঠাত

**একেখন মঞ্চত ৰাহুল, মমতা, কেজৰিৱাল**

## হেমন্তৰ শপত গ্ৰহণত 'ইণ্ডিয়া'ই দিলে ঐক্য বাৰ্তা



**ৰাঁচী, ২৮ নৱেম্বৰঃ** লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ লগতে 'ইণ্ডিয়া' মিত্ৰজোঁটৰ কেবাগৰাকী শীৰ্ষ নেতাৰ বিশেষ উপস্থিতিত শেষাংশ ২ পৃষ্ঠাত

## কঠিন সময়তো কলমটো বন্ধকত নথৈ সাহসেৰে যুঁজি যুঁজি গ'লগৈ বুলন শইকীয়া

**এক সংগ্ৰামী সত্তাৰ অৱসান**



**ই-সংবাদ বিশেষ, ২৮ নৱেম্বৰঃ** নিচেই কাষৰ পৰা জীৱনৰ কঠিনতা প্ৰত্যক্ষ কৰি জুই আৰু মৃত্যুৰ শেষাংশ ৮ পৃষ্ঠাত

## সংগ্ৰামী সত্তা বুলন

■ শোণিত কুমাৰ গোস্বামী

নাহৰকটীয়াৰ সাংবাদিক বুলন কুমাৰ শইকীয়াৰ সংগ্ৰামী সত্তাটো আছিল অনন্য। তেওঁ অসম, অসমীয়াৰ বাবে দেহে-কেহে শেষাংশ ৪ পৃষ্ঠাত

**সৰ্বাপন্থীক ভেটা দিয়াৰ প্লেন**

## কৌশলেৰে হ'ব মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

**ই-সংবাদ, গুৱাহাটী, ২৮ নৱেম্বৰঃ** মন্ত্ৰীসভা সম্প্ৰসাৰণ কৰিবলৈ গৈ বাৰে বাৰে পিছুৱাই আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ এজনক শেষাংশ ৬ পৃষ্ঠাত

**প্ৰয়োজনত হাতত অস্ত্ৰ তুলি লৈ অৰণ্যলৈ যোৱাৰ হুংকাৰ**

## কমতাপুৰ ৰাজ্যৰ দাবীৰে উত্তাল নামনি



**ই-সংবাদ, গুৱাহাটী, ২৮ নৱেম্বৰঃ** পৃথক কমতাপুৰ আৰু জনজাতিকৰণৰ বাবে মৰণ-পণ যুঁজ কৰিবলৈ সাজু শেষাংশ ৭ পৃষ্ঠাত

**ঢাকাৰ আদালতত খাৰিজ আবেদন**

## বাংলাদেশত নিষিদ্ধ নহয় ইস্কন, ক'লে ক'ৰ্টে

**ঢাকা, ২৮ নৱেম্বৰঃ** বাংলাদেশত ইস্কনৰ কাৰ্যকলাপক লৈ অব্যাহত থকা বিতৰ্কৰ মাজতে বৃহস্পতিবাৰে ইস্কনক নিষিদ্ধ কৰাৰ আবেদনৰ শেষাংশ ৩ পৃষ্ঠাত




## জনজাতিকৰণ শীঘ্ৰে কৰকঃ গৌৰৱ

**ই-সংবাদ, ২৮ নৱেম্বৰঃ** ২০১৪ চনৰ লোকসভা নিৰ্বাচন আৰু ২০১৬ চনৰ বিধনসভা নিৰ্বাচনত বিজেপিয়ে ছয় জনগোষ্ঠীৰ শেষাংশ ৪ পৃষ্ঠাত

## আলফা মাটি ফুটি ওলোৱা সংগঠন নহয়

**প্ৰতিবাদ দিৱসত পৰেশ**

**ই-সংবাদ, ২৮ নৱেম্বৰঃ** সংযুক্ত মুক্তি বাহিনী অসম, স্বাধীন চমুকৈ আলফা স্বাধীনৰ প্ৰতিবাদ দিৱস উপলক্ষে বিদ্ৰোহী সংগঠনটোৱে আজি শেষাংশ ৫ পৃষ্ঠাত

**মাকুমৰ বিশেষ মানুহজনে আজিও নাপালে প্ৰকৃত সন্মান!**

## খাকী পোছাক থৈ আকৌ হৈ পৰিল দৰ্জী

■ ৰাজীৱ বৰা

**আৰক্ষীৰ** চাকৰি কৰা নাছিল যদিও কেইমাহমানৰ আগলৈকে মানুহজনে আৰক্ষীৰ দৰেই দায়িত্ব পালন কৰি গৈছিল। হোমগাৰ্ডৰ



"স্থায়ীকৈ এখন দোকান হ'ব, সেই দোকানত এটা ভাল নতুন চিলাই মেচিন থাকিব!"

খাকী পোছাকযোৰ পিন্ধি মানুহজনে দুপৰীয়া পাৰ হৈ বিয়লি হ'লেই এটা নিৰ্দিষ্ট ট্ৰেফিক পইণ্ট আহি পাইছিল। তাৰপিছতে শেষাংশ ৭ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰিয়জনেই কাঢ়িলে ৫১ হাজাৰ মহিলাৰ

আহিছে এই বিস্ফোৰক তথ্য। এই প্ৰতিবেদন অনুসৰি নিজৰ ঘৰখনেই হৈছে মহিলাসকলৰ বাবে আটাইতকৈ বিপজ্জনক ঠাই। ইউএনঅ'ডিচিয়ে প্ৰকাশ কৰা "ফেমিচাইডছ ইন ২০২৩: গ্ল'বেল এষ্টিমেটছ অৱ ইন্টিমেট পাৰ্টনাৰ/ফেমিলি মেম্বাৰ ফেমিচাইডছ" শীৰ্ষক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ২০২৩ চনত নিজৰ ঘনিষ্ঠ সংগী অথবা পৰিয়ালৰ সদস্যৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হৈছে প্ৰায় ৫১,১০০ গৰাকী মহিলা আৰু যুৱতীয়ে। ২৫ নৱেম্বৰত পালন কৰা 'মহিলাৰ বিৰুদ্ধে হিংসা নিৰ্মূলৰ আন্তঃৰাষ্ট্ৰীয় দিৱস' উপলক্ষে প্ৰকাশ কৰা হয় এই প্ৰতিবেদন। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি, সেই বছৰ ইচ্ছাকৃতভাৱে হত্যা কৰা প্ৰায় ৮৫ হাজাৰ মহিলা আৰু ছোৱালীৰ ভিতৰত ৬০ শতাংশই হত্যাৰ বলি হৈছিল ঘনিষ্ঠ সংগী বা পৰিয়ালৰ সদস্যৰ হাতত। উল্লেখ্য যে, এই সংখ্যা ২০২২ চনত আছিল ৪৮,৮০০ গৰাকী। প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুযায়ী প্ৰতিদিনে পৰিয়ালৰ সদস্যৰ হাতত গড়ে ১৪০ গৰাকী মহিলা বা যুৱতীৰ মৃত্যু হয়, যিটো প্ৰতি ১০ মিনিটৰ মূৰে মূৰে এগৰাকী মহিলাৰ মৃত্যুৰ সমান। প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, বিশ্বৰ বিভিন্ন অঞ্চলত মহিলাৰ বিৰুদ্ধে সংঘটিত গাৰ্হস্থ্য হিংসাৰ পৰিসংখ্যা আতংকজনক। আফ্ৰিকাত এই সংখ্যা সৰ্বাধিক, য'ত ২১,৭০০ গৰাকী মহিলাই প্ৰাণ হেৰুৱাইছিল আত্মীয় আৰু পৰিয়ালৰ সদস্যৰ হাতত। তাৰ পিছতে এই তালিকাত আছে এছিয়া (১৮,৫০০ গৰাকী), আমেৰিকা (৮,৩০০ গৰাকী), ইউৰোপ (২,৩০০ গৰাকী) আৰু ওচেনিয়া (৩০০ গৰাকী)। আমেৰিকা আৰু ওচেনিয়াত মহিলাৰ বিৰুদ্ধে গাৰ্হস্থ্য হিংসাৰ হাৰ ক্ৰমে প্ৰতি এক লাখৰ বিপৰীতে ১.৬ আৰু ১.৫। ইয়াৰ তুলনাত এছিয়াত এই হাৰ ০.৮ আৰু ইউৰোপত ০.৬। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে পুৰুষৰ বাবে বেছিভাগ হত্যাকাণ্ড ঘৰৰ বাহিৰত সংঘটিত হয়, আনহাতে ঘৰখনেই মহিলাৰ বাবে হৈছে আটাইতকৈ বিপজ্জনক ঠাই। মাত্ৰ ১১.৬ শতাংশ পুৰুষক পৰিয়ালৰ সদস্যই হত্যা কৰাৰ বিপৰীতে গাৰ্হস্থ্য হিংসাৰ বলি হোৱা মহিলাৰ হাৰ হৈছে ৬০.২ শতাংশ। ইউৰোপত ২০২৩ চনত হত্যাৰ বলি হোৱা ৬৪ শতাংশ আৰু আমেৰিকাত ৫৮ শতাংশ মহিলাক তেওঁলোকৰ ঘনিষ্ঠ সংগীয়েই হত্যা কৰিছিল। নাৰীৰ প্ৰতি বৈষম্যমূলক মনোভাৱ, সামাজিক নীতি আৰু পুৰুষৰ আধিপত্যৰ মানসিকতাই এই হিংসাক উৎসাহিত কৰে বুলিও প্ৰতিবেদনত আলোকপাত কৰা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে এনে হিংসা ৰোধৰ বাবে সামাজিক আৰু আইনী সংস্কাৰ অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰসংঘৰ বাৰ্ষিক সমীক্ষাৰ জৰিয়তে ১১২খন দেশৰ সদস্য ৰাষ্ট্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। উল্লেখ্য যে, শেহতীয়াকৈ ভাৰতত যথেষ্ট উদ্বেগজনকভাৱে বৃদ্ধি পাইছে মহিলাৰ ওপৰত অত্যাচাৰ। বিগত বৰ্ষতে নিজৰ প্ৰিয়জনৰ হাতত কেবাগৰাকী যুৱতী-মহিলা হত্যাৰ বলি হোৱা ঘটনায়ো দেশখনক জোকাৰি গৈছে। তাৰ মাজতে ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্যই এতিয়া সকলোকে উদ্বিগ্ন কৰি তুলিছে। এনেক্ষেত্ৰত নিজ ঘৰতে মহিলাসকলে নিৰাপত্তাৰ অভাৱত ভুগিবলগীয়াত পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হেমন্তৰ শপত গ্ৰহণত 'ইণ্ডিয়া'ই দিলে

বৃহস্পতিবাৰে দ্বিতীয়টো কাৰ্যকালৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'লে হেমন্ত ছোৰেনে। এই শপত গ্ৰহণৰ মঞ্চত উপস্থিত থাকে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীও। ইয়াৰ উপৰিও তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন, বিহাৰৰ বিৰোধী নেতা তেজস্বী যাদৱৰ লগতে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ কেইবাজনো নেতা উপস্থিত থাকে। উল্লেখ্য যে, শেহতীয়া কিছু পৰিঘটনাই কংগ্ৰেছৰ পৰা তৃণমূলৰ বিচ্ছিন্নতাৰ জল্পনা-কল্পনাত ইন্ধন যোগাইছে যদিও মমতা আৰু ৰাহুলক একেখন মঞ্চত দেখাটো বিৰোধীৰ মাজত ঐক্যৰ বাৰ্তা হিচাপে অভিহিত কৰিছে অনেকে। অৱশ্যে আন একাংশৰ মতে, একেখন মঞ্চত ৰাহুল-মমতাৰ উপস্থিত কেৱল মাত্ৰ ৰাজনৈতিক সৌজন্যতাহে। উল্লেখ্য যে, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নিৰ্ধাৰণ কৰি দিয়া 'সময়' অনুসৰি বৃহস্পতিবাৰে শপতগ্ৰহণ অনুষ্ঠানটোৰ আয়োজন কৰে হেমন্ত ছোৰেনে। ইফালে লোকসভাৰ শীতকালীন অধিৱেশনৰ আৰম্ভণিৰ পৰাই কংগ্ৰেছ আৰু তৃণমূলৰ মাজত দূৰত্বৰ লক্ষণ দেখা গৈছে। যোৱা সোমবাৰে কংগ্ৰেছে বিৰোধী নেতৃত্বক বৈঠকৰ বাবে আহ্বান জনাইছিল যদিও তৃণমূলৰ কোনো সাংসদ উপস্থিত নাছিল। সংসদত চেম্বাৰৰ সমন্বয়ত কংগ্ৰেছ আৰু তৃণমূলৰ মাজৰ দূৰত্বও সৃষ্টি হৈছে। বুধবাৰে তৃণমূল সংসদীয় দলৰ বৈঠকত অংশগ্ৰহণ কৰি অভিষেক বেনাৰ্জীয়ে কয় যে বংগৰ সাংসদসকলে মূলতঃ ৰাজ্যৰ প্ৰতি কেন্দ্ৰৰ বঞ্চনাক উজ্জ্বল কৰি তুলিব আৰু মণিপুৰৰ অশান্তিৰ কথা ক'ব। তৃণমূলৰ শীৰ্ষ নেতাসকলৰ মতে, আদানিৰ বিৰুদ্ধে উত্থাপিত অভিযোগ মূলতঃ 'ৰাহুল গান্ধীৰ বিষয়' আৰু তেওঁলোকে কংগ্ৰেছৰ সৈতে কোনো ধৰণৰ 'যুদ্ধ' কৰিব নিবিচাৰে। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ সৈতে ইয়াৰ সম্পৰ্ক নথকাৰ বাবে নিৰ্বাচনত আদানি কাণ্ডৰ কোনো প্ৰভাৱ নপৰে বুলিও দাবী কৰিছে তৃণমূলৰ একাংশ নেতাই। লক্ষণীয় যে, অক্টোবৰ মাহত হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ ফলাফল তৃণমূলৰ বাবে সন্তোষজনক নাছিল, যাৰ ফলত তেওঁলোকৰ সৈতে 'দূৰত্ব' বৃদ্ধি পাইছে। এনে পৰিস্থিতিত বৃহস্পতিবাৰে 'ইণ্ডিয়া'ৰ অংশীদাৰ জেএমএম নেতা হেমন্ত ছোৰেনৰ শপত গ্ৰহণ অনুষ্ঠানত মমতা আৰু ৰাহুলৰ উপস্থিতিয়ে বিশেষ দৃষ্টি আকৰ্ষণ কৰে। ঝাৰখণ্ডৰ চতুৰ্দশ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে হেমন্ত ছোৰেনে। ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰে তেওঁক শপত বাক্য পাঠ কৰোৱায়। ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনত শাসকীয় জেএমএম নেতৃত্বাধীন মিত্ৰজোঁটে ৮১খন আসনৰ ভিতৰত ৫৬খন আসন লাভ কৰাৰ বিপৰীতে বিজেপি নেতৃত্বাধীন এনডিএয়ে ২৪খন আসনত জয়লাভ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংসদ ৰূপে প্ৰিয়ংকা গান্ধীৰ শপত গ্ৰহণ

শেহতীয়াকৈ অনুষ্ঠিত হোৱা লোকসভাৰ উপ-নিৰ্বাচনত ৱায়ানাড সমষ্টিৰ পৰা বিজয় লাভ কৰাৰ পিছত বৃহস্পতিবাৰে সাংসদ হিচাপে প্ৰথমবাৰৰ বাবে সংসদত ভৰি দিলে প্ৰিয়ংকা গান্ধী বাদ্ৰাই। তেওঁৰ এই সংসদীয় যাত্ৰাৰ সময়ত প্ৰিয়ংকাক সংগ দিয়ে জ্যেষ্ঠ ভাতৃ তথা ৰায় বৰেলীৰ কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী আৰু ৰাজস্থানৰ ৰাজ্যসভাৰ সাংসদ মাতৃ ছোনীয়া গান্ধীয়ে। বৃহস্পতিবাৰে পুৱা প্ৰায় ১১ বজাত ৱায়ানাড সমষ্টিৰ নিৰ্বাচিত সংসদ সদস্য হিচাপে শপত গ্ৰহণ কৰে প্ৰিয়ংকাই। ভাতৃ ৰাহুলৰ দৰেই শপত গ্ৰহণৰ সময়ত প্ৰিয়ংকাৰো হাতত দেখা গ'ল সংবিধানৰ প্ৰতিলিপি। ইফালে, শপত গ্ৰহণৰ পিছত প্ৰিয়ংকা গান্ধীয়ে আন সাংসদ আৰু সংসদৰ বিষয়াৰ সৈতে শুভেচ্ছা বিনিময় কৰে। অন্যহাতে পুৱা কংগ্ৰেছৰ সাংসদসকলৰ বৈঠকতো যোগদান কৰে নৱনিৰ্বাচিত সাংসদ প্ৰিয়ংকাই। তেওঁৰ সংসদ যাত্ৰাৰ সময় 'ৱেলকাম প্ৰিয়ংকা' ধ্বনিৰে আদৰণি জনায় কংগ্ৰেছৰ আন আন সাংসদ সকলে। সংসদ ভৱনত প্ৰৱেশৰ পূৰ্বে সংবাদ মাধ্যমৰ সন্মুখত প্ৰিয়ংকাই কয়, 'মই আজি যথেষ্ট সুখী অনুভৱ কৰিছো।' উল্লেখ্য যে, ২০০৪ চনৰ পিছৰ পৰাই প্ৰিয়ংকা গান্ধীয়ে কংগ্ৰেছৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই আহিছিল যদিও সক্ৰিয় ৰাজনীতিত তেওঁৰ প্ৰৱেশ ঘটা নাছিল। ২০১৯ চনৰ জানুৱাৰী মাহত তেওঁ আনুষ্ঠানিকভাৱে সক্ৰিয় ৰাজনীতিত যোগদান কৰাৰ পিছতে নিৰ্বাচনী ৰাজনীতিতো তেওঁৰ প্ৰৱেশৰ জল্পনা-কল্পনা আৰম্ভ হয়। পৰৱৰ্তী সময়ত উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনত প্ৰিয়ংকাই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও চৰ্চা চলে। কিন্তু সেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ পিছত শেহতীয়া লোকসভা নিৰ্বাচনত আমেঠিৰ পৰা প্ৰিয়ংকা গান্ধী কংগ্ৰেছৰ প্ৰাৰ্থী হ'ব বুলি পুনৰ চৰ্চা আৰম্ভ হয়। কিন্তু অৱশেষত উপ-নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচনী ৰাজনীতিত অভিষেক ঘটোৱা প্ৰিয়ংকাই বৃহস্পতিবাৰে গান্ধী পৰিয়ালৰ আন এগৰাকী সদস্যৰূপে ভৰি দিয়ে সংসদৰ মজিয়াত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীক হত্যাৰ ভাবুকি, মহিলা ধৃত

৩৪ বৰ্ষীয় মহিলা। বৃহস্পতিবাৰে মুম্বাই আৰক্ষীয়ে প্ৰধানমন্ত্ৰীৰ হত্যাৰ এক ভাবুকি লাভ কৰাৰ পিছতে তৎপৰতাৰে বিষয়টোৰ অনুসন্ধান আৰম্ভ কৰে। এই ভাবুকি প্ৰদান কৰা ফোন নম্বৰটো ট্ৰেচ কৰি আৰক্ষীয়ে অৱশেষত গ্ৰেপ্তাৰ কৰে মহিলাগৰাকীক। অৱশ্যে আৰক্ষী সূত্ৰই সদৰী কৰা মতে, এই ভাবুকি প্ৰদান কৰা মহিলাগৰাকী মানসিকভাৱে অসুস্থ। কিন্তু মহিলাগৰাকীয়ে কিয় প্ৰধানমন্ত্ৰীৰ হত্যাৰ ভাবুকি প্ৰদান কৰিছিল সেই বিষয়ে তদন্ত অব্যাহত ৰাখিছে মুম্বাই আৰক্ষীয়ে। আৰক্ষীৰ সূত্ৰ অনুসৰি, বৃহস্পতিবাৰে পুৱা মুম্বাই আৰক্ষীৰ যান-বাহন নিয়ন্ত্ৰণ কক্ষলৈ আহিছিল ভাবুকিভৰা ফোন কলটো। ফোনত নৰেন্দ্ৰ মোদীক হত্যাৰ পৰিকল্পনা কৰা হৈছে বুলি দাবী কৰিছিল মহিলাগৰাকীয়ে। আনকি এই হত্যাৰ বাবে অস্ত্ৰ-শস্ত্ৰও সাজু কৰি ৰখা হৈছে বুলি বুলি দাবী কৰিছিল অভিযুক্তই। এই ফোন পোৱাৰ পিছতে সক্ৰিয় হৈ পৰে মুম্বাই আৰক্ষী। তাৰ পিছতে তদন্তৰ অন্তত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। প্ৰসংগক্ৰমে যোৱা বছৰৰ জুলাই মাহতো প্ৰধানমন্ত্ৰী মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক হত্যা কৰা হ'ব বুলি এক ভাবুকিভৰা ফোন কল লাভ কৰিছিল আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশত নিষিদ্ধ নহয় ইস্কন, ক'লে

ওপৰত কোনো ধৰণৰ স্বতঃপ্ৰণোদিত নিৰ্দেশ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে ঢাকা উচ্চ ন্যায়ালয়ে। বাতৰি অনুসৰি, ইস্কনৰ বিৰুদ্ধে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা বুলি আদালতত অৱগত কৰাৰ পিছতে এই আবেদন খাৰিজ কৰে ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ অধিবক্তা মহম্মদ মুনীৰ উদ্দিনে 'দ্য ডেইলি ষ্টাৰ' নামৰ বাতৰি কাকতখনত প্ৰকাশিত ইস্কনৰ কাৰ্যকলাপৰ সন্দৰ্ভত প্ৰতিবেদন আদালতত দাখিল কৰি সংগঠনটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চট্টাগং, ৰংপুৰ আৰু দিনাজপুৰত ১৪৪ ধাৰা জাৰি কৰিবলৈ অনুৰোধ জনায়। এই সন্দৰ্ভত চৰকাৰক অৱগত কৰিবলৈ আদালতে এটৰ্নী জেনেৰেলক নিৰ্দেশ দিয়ে। পিছত এটৰ্নী জেনেৰেলৰ কাৰ্যালয়ে জনোৱা মতে, অধিবক্তা ছাইফুল ইছলাম আলিফৰ হত্যাকাণ্ড আৰু ইস্কনৰ কাৰ্য্যকলাপৰ বিৰুদ্ধে তিনিটা গোচৰ ৰুজু কৰা হৈছে আৰু ইতিমধ্যে ৩৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইফালে ঢাকা ট্ৰিবিউনত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি ইস্কনক "উগ্ৰপন্থী সংগঠন" বুলি অভিহিত কৰি আদালতত দাখিল কৰা এখন নতুন আবেদনত ইস্কনৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা আৰু সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। আবেদনখনত ইস্কনৰ বিৰুদ্ধে সনাতনী মন্দিৰ বেদখল, সনাতনী সম্প্ৰদায়ৰ লোকক উচ্ছেদ কৰা আৰু মছজিদত আক্ৰমণৰ অভিযোগো উত্থাপন কৰা হৈছে। উল্লেখ্য যে, শেহতীয়াকৈ বাংলাদেশৰ সম্মিলিত সনাতন জাগৰণ জোঁটৰ মুখপাত্ৰ চিন্ময়কৃষ্ণ দাস প্ৰভুক দেশদ্ৰোহৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ পিছতে ৰাষ্ট্ৰখনত ইস্কনৰ কাৰ্য্যকলাপক লৈ বিতৰ্কৰ সূত্ৰপাত ঘটিছে। ইয়াৰ মাজতে বৃহস্পতিবাৰে ঢাকাৰ স্বামী বাগত এখন সংবাদমেলযোগে গ্ৰেপ্তাৰ হোৱা চিন্ময়কৃষ্ণ দাস প্ৰভু ইস্কনৰ সদস্য নহয় বুলি স্পষ্ট কৰি দিয়ে সংগঠনটোৱে। সংবাদমেলত সংগঠনটোৰ নেতৃত্বই দাবী কৰা মতে, ইতিমধ্যে ইস্কন বাংলাদেশে চিন্ময়কৃষ্ণ দাস প্ৰভুক অনুশাসনহীনতাৰ অভিযোগত সংগঠনটোৰ পৰা বহিষ্কাৰ কৰিছে। সংগঠনটোৰ সাধাৰণ সম্পাদক চাৰুচন্দ্ৰ দাস ব্ৰহ্মচাৰীয়ে কয়, 'চিন্ময়কৃষ্ণৰ কাম-কাজৰ কোনো দায়িত্ব ইস্কনে নলয়। কিয়নো তেওঁক সংগঠনৰ পৰা বহিষ্কাৰ কৰা হৈছে।'' সংগঠনটোৱে লগতে জনায় যে শিশু নিৰ্যাতনৰ অভিযোগৰ তদন্তৰ সময়ত সংগঠনটোৰ পুণ্ডাৰিক ধামৰ অধ্যক্ষ পদৰ পৰাও চিন্ময়কৃষ্ণক অপসাৰণ কৰা হৈছিল। ইফালে চিন্ময়কৃষ্ণৰ গ্ৰেপ্তাৰৰ পিছতে বাংলাদেশৰ সংখ্যালঘু জনগোষ্ঠীৰ মাজত ক্ষোভ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, হাছিনা চৰকাৰৰ পতনৰ পিছত বাংলাদেশত বৃদ্ধি পোৱা অশান্তিৰ সময়তে কেইবাটাও ধৰ্মীয় সংস্থাই মিলি সন্মিলিত সনাতন জাগৰণ জোঁট গঠন কৰিছিল আৰু এই নতুন সংস্থাটোৰ মুখপাত্ৰ হিচাপে নিযুক্ত হৈছিল চিন্ময়কৃষ্ণ দাস প্ৰভু। তেওঁৰ আহ্বানতে ঢাকাৰ শ্বাহিদ মিনাৰ আৰু চট্টগ্ৰামত হাজাৰ হাজাৰ সংখ্যালঘু লোকৰ সমাৱেশ ঘটে। এই সমাৱেশৰ সময়তে স্থানীয় বিএনপিৰ এজন নেতাই তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহৰ গোচৰ ৰুজু কৰি সোমবাৰে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইফালে গ্ৰেপ্তাৰৰ পিছত চিন্ময়কৃষ্ণক আদালতত হাজিৰ কৰোৱাৰ সময়তে তেওঁৰ সমৰ্থক আৰু আৰক্ষীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে। এই সময়তে এগৰাকী অধিবক্তাৰো হত্যা কৰা হয়। লক্ষণীয় যে, বাংলাদেশত সংখ্যালঘু জনগোষ্ঠীৰ বিৰুদ্ধে অব্যাহত থকা হিংসাত্মক পৰিস্থিতিৰ মাজতে ইস্কনক নিষিদ্ধ কৰা সন্দৰ্ভত চৰকাৰে কৰা আবেদন খাৰিজ কৰিছে আদালতে। ফাউণ্ডেশ্যন ফৰ ইণ্ডিয়া এণ্ড ইণ্ডিয়ান ডায়াছপোৰা ষ্টাডিজ চমুকৈ ফিডছৰ তথ্য অনুসৰি শ্বেখ হাছিনাৰ আৱামি লীগ চৰকাৰৰ পতনৰ পিছৰে পৰা বাংলাদেশত সংখ্যালঘুৰ ওপৰত ২০০ৰো অধিক আক্ৰমণ সংঘটিত হৈছে। ইফালে চুবুৰীয়া ৰাষ্ট্ৰখনত সংখ্যালঘুৰ ওপৰত সংঘটিত আক্ৰমণ আৰু চিন্ময়কৃষ্ণ দাস প্ৰভুক গ্ৰেপ্তাৰক লৈ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতেও। এই সন্দৰ্ভত বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এক বৈঠকত মিলিত হয় ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ। অন্যহাতে, 'প্ৰথম আলো'ৰ এক প্ৰতিবেদনত ইস্কন বাংলাদেশে তেওঁলোকৰ বিৰুদ্ধে ভুল তথ্য প্ৰচাৰ কৰা বুলি আৰু অধিবক্তা হত্যাৰ লগত সংগঠনটোৰ কোনো সম্পৰ্ক নাই বুলি দাবী কৰিছে। ইস্কনৰ তথ্য অনুসৰি, চিন্ময়ক সংগঠনটোৰ পৰা বহিষ্কাৰ কৰাৰ বিষয়ে বহু পূৰ্বেই ৰাজহুৱাভাৱে ঘোষণা কৰা হৈছিল। কিন্তু ইস্কন বিতৰ্ক আৰু শেহতীয়াকৈ বৃদ্ধি পোৱা সাম্প্ৰদায়িক উত্তেজনাৰ ফলত চুবুৰীয়া বাংলাদেশৰ পৰিস্থিতি ক্ৰমান্বয়ে জটিল হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীৰ ৰাজ্যত নাৰ্ছক দলবদ্ধ ধৰ্ষণ

অভিযোগ উত্থাপিত হৈছে। উত্তৰ প্ৰদেশৰ জালাউনত সংঘটিত এই ধৰ্ষণ কাণ্ডক লৈ ইতিমধ্যে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। অভিযোগ অনুসৰি, কৰ্মক্ষেত্ৰলৈ গৈ থকা সময়তে এগৰাকী নাৰ্ছক বাটত আক্ৰমণ কৰি দলবদ্ধ ধৰ্ষণ কৰে দুজন লোকে। মহিলাগৰাকীৰ স্বামীয়ে আৰক্ষীৰ ওচৰত দাখিল কৰা এজাহাৰ অনুসৰি, তেওঁৰ পত্নীক ধৰ্ষণ কৰাৰ পিছত যৌনাংগত লাঠি আৰু জলকীয়া গুড়ি সুমুৱাই নিৰ্মম অত্যাচাৰ চলায় পাষণ্ড কেইজনে। ইফালে আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ভুক্তভোগী মহিলাগৰাকীৰ একে গাঁওৰে আন এজন যুৱকৰ সৈতে বিবাহ বহিৰ্ভূত প্ৰেমৰ সম্পৰ্ক আছিল। সেই প্ৰেমিক আৰু তাৰ পৰিয়ালেই মাৰপিট কৰে মহিলাগৰাকীক। আনহাতে মহিলাগৰাকীৰ স্বামীয়ে জানিবলৈ দিয়া মতে, তেওঁৰ পত্নীয়ে চৰখী থানাৰ অন্তৰ্গত এখন হাস্পতালত নাৰ্ছ হিচাপে কাম কৰে। বৃহস্পতিবাৰে পুৱা প্ৰায় ৯ বজাত স্কুটিৰে কামলৈ গৈ থকা অৱস্থাতে একাংশ লোকে আক্ৰমণ কৰে মহিলাগৰাকীক আৰু তেওঁক চোঁচৰাই পথৰ দাঁতিৰ জংঘললৈ মাজলৈ লৈ যায়। স্বামীয়ে কয়, "মোৰ পত্নীয়ে কামলৈ যোৱাৰ সময়ত এই ঘটনা সংঘটিত হৈছিল। তেওঁ মোক ফোন কৰি ক'লে যে তেওঁক এজন মানুহ, তেওঁৰ ভতিজা আৰু আন কিছুমান ব্যক্তিয়ে মাৰপিট কৰিছে। ইয়াৰ পিছত দুজন লোকে তেওঁক দলবদ্ধ ধৰ্ষণ কৰে।" একে সময়তে মহিলাগৰাকীৰ যৌনাংগত লাঠি আৰু জলকীয়া গুড়ি ভৰাই অত্যাচাৰ চলোৱাৰো অভিযোগ কৰে স্বামীয়ে। আৰক্ষীয়ে এই অভিযোগ সন্দৰ্ভত গোচৰ ৰুজু কৰি ভুক্তভোগীগৰাকীক স্বাস্থ্য পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। জালাউনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰদীপ কুমাৰ বাৰ্মাই জনোৱা মতে, মহিলাগৰাকীক প্ৰহাৰ কৰাৰ তথ্য লাভ কৰাৰ লগে লগে আৰক্ষীয়ে সেই স্থানত উপস্থিত হৈ চিকিৎসালয়ত ভৰ্তি কৰায়। তেওঁ কয়, 'এয়া বিবাহ বহিৰ্ভূত প্ৰেমৰ গোচৰ। মহিলাগৰাকীৰ সৈতে এজন পুৰুষৰ সম্পৰ্ক আছিল আৰু তেওঁক সেই লোকজন আৰু পৰিয়ালেই প্ৰহাৰ কৰে। অৱশ্যে ভুক্তভোগীৰ অভিযোগ সন্দৰ্ভত আমি এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছো।' এই ধৰ্ষণৰ অভিযোগে সমগ্ৰ উত্তৰ প্ৰদেশতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংগ্ৰামী সত্তা বুলন

খাটিছিল। প্ৰান্তীয় সাংবাদিক হিচাপে তেওঁ ঘৰ, মাটি, বিলাসী গাড়ীৰ লালসা কৰা নাছিল। বৰঞ্চ স্বনিৰ্ভৰশীলতাৰ বাণীৰে অন্যকো উদ্যমী হ'বলৈ শিকাইছিল। অৱশ্যে তেওঁৰ জীৱনো অসমৰ অন্য কেতবোৰ সাংবাদিকৰ সদৃশ অকালতে মৰহি গ'ল। দীৰ্ঘ সময় যকৃতৰ দৰে জটিল সমস্যাৰে যুঁজ দি থকা সাংবাদিক বুলন কুমাৰ শইকীয়া ২৮ নৱেম্বৰৰ দিনটোত জীৱনৰ ৫০টা বসন্ত অতিক্ৰম নকৰাকৈ এই সংসাৰৰ পৰা বিদায় মাগিলে।

২০০৭ চন মানৰ পৰাই নাহৰকটীয়াৰ বুলন দাৰ সৈতে মোৰ চিনাকি। তেতিয়া তেওঁ অধুনালুপ্ত টিভি চেনেল এনই টিভিৰ সংবাদদাতা আছিল। মই তেতিয়া এনই টিভিত বাতৰি পৰিৱেশক হিচাপে কৰ্মৰত। তেতিয়া আমাৰ চিনাকি মূলত প্ৰেম বিষয়ক কথাবোৰতেই সীমাবদ্ধ আছিল। অসমৰ মিডিয়া খণ্ডত কোন কাৰ লগত প্ৰেমত পৰিছে, কোন কেনেকৈ চলিছে, ক'ত কি আড্ডা হৈছে আদি কথাবোৰৰে বুলনা দাৰ সৈতে মোৰ পৰিচয় আগবাঢ়িছিল। সময় বাগৰাৰ লগে লগে ছেগা-ছেৰেকাকৈ এই সম্বন্ধ তেনেকৈ আগবাঢ়িছিল। সাংবাদিক হিচাপে তেওঁ বিভিন্ন চেনেল, বাতৰি কাকত সলাইছিল, একেদৰে সাংবাদিক হিচাপে ময়ো তেনেকুৱা কৰিছিলোঁ, তথাপি মাজে মাজে কথা-বতৰা চলি থাকিছিল।

নতুন দিল্লীত কৰ্মৰত হৈ থকাৰ সময়ত বুলন দাৰ সৈতে মোৰ সম্পৰ্ক অধিক গাঢ় হৈ পৰিছিল। তেওঁৰ সৈতে প্ৰায়েই ফোনত কথাবাৰ্তা হৈছিল। সাংবাদিক জীৱনৰ লগতে তেওঁ একাধিক জাতীয়তাবাদী কামতো জড়িত হৈ থাকি ভাল পাইছিল। ডিব্ৰুগড়-তিনিচুকীয়া জিলাৰ বিভিন্ন সামাজিক কামকাজত সাংবাদিক হিচাপে তেওঁ জড়িত আছিল। সকলোৱে তেওঁক আপোচবিহীন সাংবাদিক বুলি সন্মান কৰিছিল, সন্মান কৰাৰ লগতে বহুতে তেওঁক ভয়ো খাইছিল। নিজৰ স্পষ্টবাদিতাৰ বাবেই অনেক ব্যক্তিয়ে তেওঁক সমীহ কৰি চলিছিল। জাতি-মাটিৰ বাবে থকা তেওঁৰ স্থিতিক সকলোৱে সন্মান জনাইছিল।

কথা প্ৰসংগত এবাৰ হঠাৎ তেওঁ ফোনত কৈছিল, "বুজিছা শোণিত, বহুতে মোক Overground ULFA বুলি অভিযোগ কৰে"। সেই অভিযোগ তেওঁৰ মুখেৰে শুনাৰ পাছত আমি দুয়ো কেৱল হাঁহিছিলো। উল্লেখ্য যে, সমাজ জীৱনত জাতীয়তাবাদী চিন্তাধাৰাৰ বাবে তথা তেওঁ গ্ৰহণ কৰি অহা স্থিতিৰ বাবে অনেকে শইকীয়াক নিষিদ্ধঘোষিত বিদ্ৰোহী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফাৰ সৈতে সহমৰ্মিতা থকা ব্যক্তি বুলি অভিহিত কৰিছিল। সেই কথাটো মই অন্য সচেতন ব্যক্তিৰ মুখতো শুনিছিলো। তেওঁক মই ভালদৰে চিনি পাওঁ সেয়েহে তেনে অভিযোগ মিছা বুলি পূৰ্বৰে পৰা মানি আহিছিলো।

অৱশ্যে তেওঁ আছিল এজন প্ৰবল জাতীয়তাবাদী ব্যক্তি। নাগৰিকত্ব সংশোধনী আইন চমুকৈ 'কা' আন্দোলনৰ সময়ত তেওঁ ডিব্ৰুগড়-তিনিচুকীয়া জিলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অনেক সময়ত মানে প্ৰায়ে তেওঁ চৰকাৰৰ কঠোৰ সমালোচনাত সক্ৰিয় হৈ পৰিছিল। বিৰোধী স্থিতি গ্ৰহণ কৰি চৰকাৰ-প্ৰশাসন-ৰাজনীতিকক উচিত সমালোচনা কৰিছিল। কবি, ঔপন্যাসিক, নিবন্ধকাৰ হিচাপে পৰিচিত বুলন শইকীয়াৰ ফেচবুক একাউণ্টৰ আপডেট পঢ়িবলৈ অনেক পঢুৱৈ বৈ থাকিছিল। আৰাকান ইন্টেল নামৰ মনোৰম উপন্যাস লিখা ব্যক্তিজনে অন্য এবাৰ মোৰ সৈতে হোৱা টেলিফোনিক বাৰ্তালাপত জাতীয় সমস্যা প্ৰসংগত হতাশ হৈ কেতবোৰ কথা কৈ পেলাইছিল। কথা প্ৰসংগত তেওঁ "Eastern Assam" শব্দযুগল ব্যৱহাৰ কৰি এখন মানচিত্ৰৰ কথা কৈছিল। নগাওঁ অতিক্ৰম কৰি অসমৰ সমূহ জিলা, ম্যানমাৰৰ বৃহৎ অংশ, অৰুণাচল আৰু নাগালেণ্ডৰো কিছু অংশক লৈ এখন নতুন প্ৰদেশৰ স্বপ্নৰ কথা তেওঁ উল্লেখ কৰিছিল। কথাবোৰ ছিৰিয়াছ আছিল যদিও সেয়া কেৱল কল্পনাহে আছিল। এনে কল্পনাৰ কাহিনী স্বদেশপ্ৰেমী অনেক সাংবাদিকৰ আড্ডাত সঘনাই উচ্চাৰিত হয়। বুলন শইকীয়াৰো তেনে কথা অৱশ্যেই জাতীয় আৱেগৰ ফলশ্ৰুতিৰ বাদে অন্য একো নাছিল বুলি তেওঁ নিজে পাছলৈ স্বীকাৰ কৰিছিল।

প্ৰান্তীয় সাংবাদিক হিচাপে নাহৰকটীয়াত থাকিয়েই তেওঁ "খবৰ চাৰিদিশ" নামৰ এখন বাৰ্তালোচনী প্ৰকাশ কৰাৰ সময়ত মই নিয়মীয়াকৈ তেওঁলৈ প্ৰবন্ধ পঠাইছিলোঁ। Clear Lense Media বুলি এটা সংস্থা খুলি তেওঁ উদীয়মান সাংবাদিকক দীক্ষাও দিছিল। পাছলৈ সৰিয়হ তেলৰ ব্যৱসায় কৰি আত্মনিৰ্ভৰশীল হ'বলৈ প্ৰয়াস কৰা বুলিও মই জানিব পাৰিছিলোঁ। তেওঁ এগৰাকী খাদ্য ৰসিক ব্যক্তি আছিল। বিভিন্ন সময়ত থলুৱা খাদ্য সম্ভাৰৰ কথা কাকত-আলোচনীত লেখিছিল।

তেনে এজন খাদ্যৰসিক ব্যক্তি, স্বদেশ প্ৰেমী সাংবাদিক, লেখক বুলন কুমাৰ শইকীয়া জটিল ৰোগত আক্ৰান্ত হৈ পৰিছিল। উন্নত চিকিৎসাৰ বাবে একাধিকবাৰ বহিঃৰাজ্যলৈও গৈছিল। কিন্তু যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ দুৰ্বল হৈ পৰা ব্যক্তিজনে জানিছিল যে মৃত্যু অৱশ্যাম্ভাৱী। সেয়েহে বিগত দুটা-তিনিটা মাহত তেখেতৰ স্বাস্থ্য দুৰ্বল হৈ আহিছিল। হক কথাত মাত মাতিবলৈ ভয় নকৰা এনে এগৰাকী লেখক-সাংবাদিকক আমাৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিলো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জনজাতিকৰণ শীঘ্ৰে কৰকঃ গৌৰৱ

জনজাতিকৰণক নিৰ্বাচনী ইছ্যু কৰি ভোট আদায় কৰিছিল। কিন্তু দিল্লী আৰু দিছপুৰত চৰকাৰ হোৱাৰ পিছতে ওলোটা শৰ মাৰে বিজেপিয়ে। ২০১৯ চনত বিধেয়ক আনিও আজিলৈ অসমৰ ছয় জনগোষ্ঠী আদিবাসী, চাহ জনজাতি, টাই আহোম, মৰাণ, মটক, চুতীয়া আৰু কোঁচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰিলে। ফলত উজনি-নামনি সৰ্বত্ৰে এতিয়া প্ৰতিবাদৰ ঢৌ উঠিছে। ইয়াৰ মাজতে এইবাৰ ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ বিষয়টোক ইছ্যু কৰিবলৈ উঠি-পৰি লাগিছে কংগ্ৰেছ। লোকসভা আৰু ৰাজ্যসভাৰ শীতকালীন অধিৱেশন চলি থকাৰ সময়তে আজি যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো পুনৰ উত্থাপন কৰা পৰিলক্ষিত হৈছে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া ত্বৰিৎ গতিত কৰিবলৈ বিজেপি দল আৰু কেন্দ্ৰীয় চৰকাৰ দাবী জনাইছে গৌৰৱ গগৈয়ে। লোকসভাৰ বিৰোধী দলপতি গৌৰৱ গগৈয়ে আজি চৰকাৰক লিখিত দাবী পত্ৰ প্ৰদান কৰিছে। দাবী পত্ৰ যোগে আদিবাসী, চাহ জনজাতি, টাই আহোম, মৰাণ, মটক, চুতীয়া আৰু কোঁচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ দাবী জনাইছে। ছয়টা জনগোষ্ঠীয়ে অনুসূচিত জনজাতিৰ বৈশিষ্ট্যৰ অধিকাৰী আৰু দশকজুৰি আৰ্থ-সামাজিকভাৱে পিছপৰি ৰোৱা বুলি কয় গগৈয়ে। গৌৰৱ গগৈয়ে সংসদৰ অধিৱেশন চলি থকাৰ সময়তে এই বিষয়টো উত্থাপন কৰি সদনৰ দৃষ্টি নিবদ্ধ কৰিবলৈ প্ৰয়াস কৰি কয়, "জনজাতিকৰণ কৰাত পলম হোৱাত প্ৰান্তীয় জনগোষ্ঠীকেইটাত গভীৰ আৰু নেতিবাচক প্ৰভাৱ পৰিছে। আৰ্থ-সামাজিক বৈষম্যৰ সমুখীন হৈছে। পৰ্যাপ্ত ৰাজনৈতিক প্ৰতিনিধিত্ব লাভত বঞ্চিত হৈছে। অনুসূচিত জনজাতি হিচাপে স্বীকৃতি পালেও ৬ জনগোষ্ঠীয়ে দৰকাৰী সাংবিধানিক সুৰক্ষা, সাহায্য, আঁচনি আৰু সম্পদৰ অধিকাৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। খৰতকীয়া সংশোধন আৰু গৃহীত কৰা হওক। সমস্ত প্ৰক্ৰিয়া লেহেমীয়া কৰাৰ পৰিবৰ্তে আইনী প্ৰক্ৰিয়া ত্বৰান্বিত কৰক। লেহেমীয়া হ'লে ছয় জনগোষ্ঠীৰ দুখ-দুৰ্দশাৰো অন্ত নপৰিব। আইন অনুযায়ী প্ৰত্যাশা পূৰণৰ বাবে বিধেয়ক গৃহীত কৰাটোৱেই চৰকাৰৰ মূল কাম হওক।" উল্লেখ্য যে, ২০১৯ চনৰ ৮ জানুৱাৰীত ৰাজ্যসভাত সংবিধান অনুসূচিত জনজাতি আদেশ সংশোধনী বিধেয়ক উত্থাপন কৰা হৈছিল। উদ্দেশ্য আছিল অসমৰ অনুসূচিত জনজাতিৰ তালিকা সংশোধন কৰি ছয় জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰা। কিন্তু আজি পৰ্যন্ত সেয়া হৈ নুঠাত এতিয়া বিজেপি চৰকাৰৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অসমৰ ৬ জনগোষ্ঠীয় দল-সংগঠন। এনে পৰিপ্ৰেক্ষিতত কংগ্ৰেছ বিষয়টোক লৈ সৰৱ হৈ উঠিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফা মাটি ফুটি ওলোৱা সংগঠন নহয়

এক বিবৃতিযোগে অসম স্বাধীন ৰাষ্ট্ৰ নোহোৱাত ঔপনিৱেশিক ব্ৰিটিছ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীক দোষাৰোপ কৰিছে। ভাৰত বিজয়ী পৰাক্ৰমী মোগলে অসম বিজয় কৰিব নোৱাৰিলে আৰু পৰাক্ৰমী মোগলক অসমে পৰাস্ত কৰা বুলি কৈ প্ৰতিবাদ দিৱসৰ তাৎপৰ্য বৰ্ণনা কৰিছে। সংযুক্ত মুক্তি বাহিনী অসম, স্বাধীন হঠাৎ মাটি ফুটি জন্ম হোৱা সংগঠন নহয় বুলি দাবী কৰি আলফা স্বাধীনে বিবৃতি যোগে দাবী কৰি সংগঠনক নিষিদ্ধ ঘোষণা কৰি অথবা ঔপনিৱেশিক আইন জাপি দিলেও বৈপ্লৱিক আদৰ্শক হত্যা কৰিব নোৱাৰে বুলি হুংকাৰ দিছে। উল্লেখ্য যে, ১৯৯০ চনৰ পৰা আলফা স্বাধীনে ২৭ নৱেম্বৰত সামৰিক দিৱস তথা প্ৰতিবাদ দিৱস পালন কৰি আহিছে। ১৯৯০ চনৰ ২৭ নৱম্বৰত ঘোষিত আৰু ২৮ নৱেম্বৰৰ পৰা অসমত অপাৰেচন বজৰং আৰম্ভ কৰিছিল ভাৰতীয় সেনাই। সামৰিক অভিযান অপাৰেছন বজৰঙত অসমীয়া যুৱক-যুৱতীক অকথ্য নিৰ্যাতন চলোৱাৰ লগতে বহু যুৱকক গুলীয়াই হত্যা কৰা হয়। লগতে বহু যুৱক আজিও নিৰুদ্দেশ হৈ আছে। অপাৰেচন বজৰং আৰম্ভ হোৱাৰ দিনটোত আলফা স্বাধীনে প্ৰতিবাদ দিৱস কৰি অহাৰ সময়তে বিবৃতি যোগে কয় যে সাম্ৰাজ্যবাদী মোগলে 'ইটাখুলি'ৰ শেষ ৰণলৈকে সুজলা-সুফলা অসমক কৰা আক্ৰমণ, বুৰঞ্জীৰ পাতত চিহ্নিত চিৰস্মৰণীয় ঘটনা হোৱাৰ লগতে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত 'ইয়াণ্ডাবু সন্ধি'ৰ গইনা লৈ বৃটিছ 'ইষ্ট ইণ্ডিয়া কোম্পানী'য়ে স্বতন্ত্ৰ পৰিচিতিৰ অসম মুলুকক পৰাধীনতাৰ বেৰী পিন্ধাই কাললৈ কুখ্যাতি ৰাখি থৈ গ'ল। মানৱ সভ্যতাই সভ্যতাৰ সৰ্বোচ্চ শিখৰত আৰোহণ কৰিলেও এনেবিলাক ঘটনা-পৰিঘটনাৰ গুৰুত্ব আৰু প্ৰাসংগিকতাক লঘূ কৰিবলৈ সক্ষম নহ'ব। খুবেই লক্ষণীয় যে মোগল কিম্বা ব্ৰিটিছ যুগৰ অৱসান ঘটিল যদিও চিৰচেনেহী অসমী আইৰ বুৰঞ্জীগত ৰাজনৈতিক অধিকাৰ 'স্বাধীনতা' সাব্যস্ত নহ'ল। তেনেস্থলত 'স্বাধীনতা' পুনঃপ্ৰতিষ্ঠাৰ হকে অসম সন্তানে শেষ বিন্দু তেজ থকালৈকে যুঁজাৰ একমাত্ৰ পথত ব্ৰতী হ'ব লগা হৈছে। অৱশ্যে, এয়া জন্মভূমিৰ আকুল আহ্বান। আলফা স্বাধীনে মেৰুদণ্ডহীন ৰাজনীতিয়ে জাতিক অধিক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিব বুলি উল্লেখ কৰি কয় যে বাস্তৱ প্ৰেক্ষাপটত দেশপ্ৰেমৰ চানেকি, দূৰদৰ্শী চিন্তা-চেতনাৰে অগ্ৰসৰ নহ'লে। তদুপৰি জাতীয় জীৱনৰ সৰ্বগ্ৰাসী দুৰ্যোগৰ সন্ধিক্ষণত নিৰ্লিপ্ততা বা মৌনতাই অসম তথা থলগিৰিৰ অস্তিত্বৰ শেষ ৰক্ষা কৰিব নোৱাৰিব বুলি দাবী কৰিছে পৰেশপন্থী আলফাই। ১৯৯০ চনৰ ২৮ নৱেম্বৰৰ পুৱতি নিশাৰে পৰা 'অপাৰেচন বজৰংগ'ৰ জৰিয়তে যুদ্ধবাজ ভাৰত ৰাষ্ট্ৰযন্ত্ৰই ৰণদুন্দুভি বজাই দখলদাৰী বাহিনীৰ দ্বাৰা আজিকোপতি অঘোষিত যুদ্ধ অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি বিদ্ৰোহী সংগঠনটোৱে কয় যে যিটো থলগিৰি জাতিসত্তাৰ প্ৰতি প্ৰতাৰণা, চূড়ান্ত অন্যায় আৰু আন্তৰ্জাতিক আইনৰো সুস্পষ্ট উলংঘন। বৈৰী ৰাষ্ট্ৰৰ জিঘাংসাৰ স্বাক্ষৰ বহন কৰা এই অভিশপ্ত দিনটো গৰিমামণ্ডিত প্ৰতিগৰাকী থলগিৰিৰ দেহৰ কোঁহে-কোঁহে প্ৰৱহমান। ৰাষ্ট্ৰৰ ঔপনিৱেশিক চৰিত্ৰ আৰু দমন নীতিক প্ৰজন্মৰ পাছত প্ৰজন্মই মানসপটৰ পৰা মচি পেলাব নোৱাৰে। স্বদেশ-স্বজাতিৰ হেৰুৱা স্বাধীনতা পুনঃপ্ৰতিষ্ঠাৰ স্বাৰ্থত প্ৰতিৰোধী আৰু প্ৰতিৰক্ষাৰ বাবে 'সন্মিলিত সশস্ত্ৰ জাতীয় মুক্তি বিপ্লৱ'ত জড়িতসকল কেতিয়াও উগ্ৰপন্থী বা সন্ত্ৰাসবাদী হ'ব নোৱাৰে। মুক্তিকামী লক্ষ লক্ষ জনৰ হিয়াৰ আমঠু, স্বাধীনতাৰ সেনানী। সংগঠন এটাৰ বৈপ্লৱিক ৰাজনৈতিক আদৰ্শক কোনো ঔপনিৱেশিক ৰাষ্ট্ৰই সামৰিক শক্তি প্ৰয়োগেৰে মষিমূৰ কৰিব নোৱাৰে। বিশ্বৰ ক'তো কোনো একনায়কত্ববাদী ৰজা-মহাৰজাই নতুবা অত্যাচাৰী শাসকবৰ্গই প্ৰতিবাদী কণ্ঠক হত্যা কিম্বা বন্দীত্বৰে মুক্তিকামী জনতাৰ মুক্তিৰ আকাংক্ষাক নিৰ্বাপিত কৰিবলৈ সক্ষম হোৱা নাছিল। আৰু ভৱিষ্যতেও নোৱাৰে। তাৰ অতি শেহতীয়া উদাহৰণ পেলেষ্টাইনী স্বাধীনতাকামী যোদ্ধাসকল। জিঘাংসু ভাৰতৰাষ্ট্ৰ অশ্ৰদ্ধাশীল হোৱা হেতুকে শত-সহস্ৰ অসম সন্তানৰ প্ৰাণ কাঢ়ি ল'লে বুলি ক্ষোভ উজাৰি বিবৃতিত বিদ্ৰোহী সংগঠনটোৱে আৰু কয় যে কোনোবাই নিজৰ আপোনজনক অথবা নিকটাত্মীয়ক হেৰুৱাৰ উপৰি চিৰজীৱনৰ বাবে পংগু জীৱন যাপন কৰিব লগা হৈছে। জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে বহুজন অসম সন্তানে কাৰাগাৰৰ চাৰিবেৰৰ মাজত দুৰ্বিষহ জীৱন কটাইছে। তৎসত্বেও স্বাধীন সাৰ্বভৌম অসমৰ যৌক্তিক ন্যায্যতা সলনি হোৱা নাই। পশ্চিমা দক্ষিণ-পূব এছিয়া অঞ্চলৰ বিপ্লৱী সংগঠনসমূহক একত্ৰিত হোৱাৰ অংগীকাৰ কৰি মৈত্ৰীৰ বান্ধোন সুদৃঢ় কৰিলেহে, যিকোনো প্ৰতিকূলতা নেওচি সু-নিৰ্দিষ্ট লক্ষ্যৰ দিশে ধাৱিত হ'বলৈ সক্ষম হ'ম বুলি কয় সংগঠনটোৱে। অন্যথা, ইয়াৰ সুবিধা শত্ৰু ৰাষ্ট্ৰযন্ত্ৰই লাভ কৰি থাকিব। সাম্প্ৰতিক প্ৰেক্ষাপটত বুৰঞ্জী বিজড়িত পৰাধীন জাতিৰ সভ্যতা-সংস্কৃতি, জাতীয় সম্ভ্ৰমেৰে সৈতে জীয়াই থকাৰ অধিকাৰ তথা আৱেগ-অনুভূতি-মানৱতা সকলো মূল্যহীন আৰ্তনাদ। ৰাজনীতিকসকলে ছলে-বলে-কৌশলেৰে ঔপনিৱেশিক মানসিকতাক সাৰ-পানী যোগাই দীৰ্ঘদিনীয়া ৰাজনৈতিক সংঘাতক জীয়াই ৰখাতহে আগ্ৰহী। সংযুক্ত মুক্তি বাহিনী স্বাধীন হঠাৎ মাটি ফুটি জন্ম হোৱা সংগঠন নহয়। নিষিদ্ধ ঘোষণা, ঔপনিৱেশিক আইন জাপি দি বৈপ্লৱিক আদৰ্শক হত্যা কৰিব নোৱাৰে। নিভাঁজ দেশপ্ৰেম, বুৰঞ্জীৰ আলোকেৰে বাস্তৱ সত্যক যুক্তিৰে বিচাৰ কৰা আৰু পৰিচালিত হোৱাৰ সময় সমাগত। দাসত্ব যদি চৰিত্ৰলৈ ৰূপান্তৰিত হয়, তেতিয়া হ'লে যাউতিযুগীয়া জাতিৰ হেৰুৱাবলৈ একো নাথাকিব। স্থিতি স্ফটিকৰ দৰে স্বচ্ছ, স্পষ্ট; কাংক্ষিত লক্ষ্য প্ৰাপ্তিৰ নিমিত্তে নিৰৱচ্ছিন্নভাৱে প্ৰতিৰোধী সশস্ত্ৰ সংগ্ৰাম অব্যাহত থাকিব। এই ক'লা দিনটোত শত-সহস্ৰ 'অমৰ মৃতক'ৰ স্মৃতিত প্ৰণিপাত জনোৱাৰ লগতে ৰাষ্ট্ৰসন্ত্ৰাসত নানা ধৰণে নিগৃহীতসকলৰ প্ৰতি সহমৰ্মিতা আৰু থলগিৰি জনগণলৈ আমাৰ মুক্তিকামী অভিনন্দন জ্ঞাপন কৰি সংগঠনটোৱে বিবৃতিৰ শেষত নেৰুডাৰ উক্তি 'তুমি গোটেইবোৰ ফুল কাটি পেলাব পাৰা, কিন্তু তুমি বসন্তৰ আগমনক বাধা দিব নোৱাৰা' উল্লেখ কৰে।

# জনজাতিকৰণ, পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত তামুলপুৰত আক্ৰাছুৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, তামুলপুৰ, ২৮ নৱেম্বৰঃ** ৰাজ্যৰ কোচ ৰাজবংশী জনগোষ্ঠীক ঐতিহাসিক পৃথক কমতাপুৰ ৰাজ্য গঠন কৰা, কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ দাবীত সদৌ তামুলপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ উদ্যোগত আৰু তামুলপুৰ জিলা কোচ ৰাজবংশী মহিলা সমিতিৰ সহযোগত তামুলপুৰত সন্থাৰ ৩ ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ জিলা সদৰস্থ প্ৰয়াত লেহো বড়ো ক্ষেত্ৰত এই অৱস্থান ধৰ্মঘট থলীত প্ৰতিবাদকাৰী সকলে হাতে হাতে প্লেকাৰ্ড লৈ ন এছ টি ন ৰেচ, আমাক কমতাপুৰ লাগিবই, আমাক জনজাতিকৰন কৰক, বিজেপি গ' বেক, অসম চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গ' বেক, আক্ৰাছু জিন্দাবাদ আদি শ্লোগান দি উত্তাল কৰি তোলে অৱস্থান ধৰ্মঘটথলীৰ পৰিৱেশ। তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘটৰ অন্তত কোচৰাজবংশী জনগোষ্ঠীৰৰ প্ৰধান দাবী কমতাপুৰ ৰাজ্য গঠন কৰা আৰু শীঘ্ৰে কোচৰাজবংশী জনগোষ্ঠীৰ লোকসকলক অনুসূচিত জনজাতিৰ মৰ্যদা প্ৰদান কৰিবলৈ এখন বিভিন্ন দাবী সম্বলিত, জিলা সমিতিৰ সভাপতি মতিৰাম বৰ্মন, সাধাৰণ সম্পাদক মানস দাস স্বাক্ষৰিত এখন স্মাৰক পত্ৰ তামুলপুৰ জিলাৰ আয়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰেৰণ কৰে। জিলা আয়ুক্তৰ হৈ ৰাজচ চক্ৰ বিষয়া এন্দুলিনা কাগুলনাই স্মাৰক পত্ৰখন গ্ৰহণ কৰি প্ৰেৰণৰ আশ্বাস দিয়ে। আজিৰ অৱস্থান ধৰ্মঘটথলীত তামুলপুৰ জিলা সমিতিৰ কৰ্মকৰ্তা সকল, কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক শংকৰ ৰাজবংশী, কোচ ৰাজবংশী সন্মিলনীৰ জিলা সভাপতি কনক ৰাজবংশী, সদৌ বিটিএডি কোচৰাজবংশী সন্মিলনীৰ কাৰ্যকৰী সভাপতি কেশৱ ৰাজবংশী প্ৰমুখ্যে বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘হিমন্তৰাজ’ত নাই নাৰীৰ সুৰক্ষাঃ ৰাতুল

অসম প্ৰদেশ কংগ্ৰেছৰ ছ'চিয়েল মিডিয়া বিভাগৰ অধ্যক্ষ ৰাতুল কলিতাই। ঝাৰখণ্ডত আদিবাসী আৰু মা-বেটিক সুৰক্ষা দিব বুলি ভাষণৰ ফুলজাৰি মৰা মুখ্যমন্ত্ৰীৰ নিজৰ ৰাজ্যতে চাহ জনগোষ্ঠীয় জীয়ৰী-বোৱাৰী সুৰক্ষিত নহয়। বিহালীত চাহ জনগোষ্ঠীয় প্ৰাৰ্থীক হৰুৱাবলৈ কংগ্ৰেছ নেতাই বাহৰ পতা বুলি কটাক্ষ কৰা মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীয় কিশোৰী ধৰ্ষণৰ ক্ষেত্ৰত মুখেৰে একো মাত নামাতে। অন্যহাতে চাহ জনগোষ্ঠীয় কিশোৰীক ধৰ্ষণ কৰা বিজেপি নেতাক ৰক্ষণাবেক্ষণ দিয়াতহে অধিক গুৰুত্ব দি আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ডুমডুমাত ১৪ বছৰীয়া চাহ জনগোষ্ঠীয় কিশোৰী ধৰ্ষণৰ আন এক নৃশংস ঘটনা সন্দৰ্ভত গুৱাহাটী ৰাজীৱ ভৱনত সংবাদ মেল সম্বোধন কৰে কলিতাই। সাত লম্পটৰ বলাৎকাৰৰ বলি হৈছিল ডুমডুমাৰ কাটনিপাৰাৰ চাহ জনগোষ্ঠীয় এগৰাকী কিশোৰী। ভুক্তভোগীৰ গোচৰৰ ভিত্তিত ডুমডুমা আৰক্ষীয়ে আটক কৰিছে যদিও এতিয়ালৈ সাতজন লম্পটক অসম আৰক্ষীয়ে উচিত শাস্তি প্ৰদান কৰা নাই। এই সাত পাষণ্ড ভোলা তাঁতী, আদিত্য যাদৱ, বিকাশ সাহানী, কৃষ্ণ প্ৰসাদ, সাহিল প্ৰসাদ, বিকাশ তাচাই ভুক্তভোগীৰ শাৰীৰিকভাৱে সক্ষম মাতৃক। ভুক্তভোগী ছোৱালীজনী তেইশ সপ্তাহ পাঁচদিনৰ গৰ্ভৱতী। চকুত কাপোৰ বান্ধি ধৰ্ষণ কৰিছিল। কাটনীবাৰীৰ কিশোৰীগৰাকীক ন্যায় প্ৰদান কৰিবলৈ আমি দাবী জনাইছো। ধৰ্ষণকাৰী কেইজনৰ পৰিয়াল বিজেপি দলৰ সদস্য হোৱা বাবেই তেওঁলোকক শাস্তি প্ৰদান কৰা নাই নেকি? যোৱা জুলাই মাহত ডুমডুমাৰ চিৰাজুলি চাহ বাগিচাত এগৰাকী চাহ জনগোষ্ঠীয় কিশোৰীক ধৰ্ষণ কৰিছে তিনিগৰাকী লম্পটে। ২০২৩ চনৰ এপ্ৰিল মাহত তিনিচুকীয়াৰ বৰডুবি থানাৰ অন্তৰ্গত কাটিনিগাঁৱত ১৩ বছৰীয়া কিশোৰীক বিজেপিৰ এগৰাকী স্থানীয় নেতাই ধৰ্ষণ কৰিছিল। কিন্তু পৰিতাপৰ কথা ধৰ্ষণকাৰী বিজেপি নেতা হোৱা বাবেই অসম আৰক্ষীয়ে তেওঁক এতিয়ালৈ গ্ৰেপ্তাৰ কৰা নাই! লোক অপবাদ আৰু ধৰ্ষণকাৰীৰ ভাবুকি সহ্য কৰিব নোৱাৰি ভুক্তভোগী কিশোৰীগৰাকীৰ মাতৃয়ে আত্মহত্যাৰ পথ বাচি লৈছিল। আমি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা ধৰ্ষণকাৰী সমুদ্ৰ ৰায়ক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছো। কলিতাই আৰু কয়, আমি লক্ষ্য কৰি আহিছো যে বিজেপি দলৰ বেছিভাগ নেতাই নাৰী নিৰ্যাতন আৰু ধৰ্ষণৰ গোচৰত অভিযুক্ত। কিন্তু কোনো এগৰাকী ধৰ্ষণকাৰী বিজেপি নেতাক শাস্তি প্ৰদান নকৰা বাবে কিশোৰী ধৰ্ষণৰ দৰে জঘন্য ঘটনা বাঢ়িবলৈ ধৰিছে। বিজেপি নেত্ৰী ইন্দ্ৰানী তহবিলদাৰ মৃত্যুৰ লগত জড়িত বিজেপি নেতা আজিও মুকলি আকাশৰ তলত ঘূৰি আছে। "অৰ্ণমাই বৰা মোৰ মা" বুলি কোৱা হিমন্ত বিশ্ব শৰ্মাৰ চকুৰ আগতেই অৰ্ণমাই বৰাৰ ধৰ্ষণকাৰী এতিয়া মুকলি আকাশৰ তলত ঘূৰি আছে। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বিধায়ক মানৱ ডেকাই যৌন নিৰ্যাতন কৰা বুলি বিজেপি নেত্ৰী এগৰাকীয়ে গুৱাহাটীৰ বশিষ্ঠ থানাত গোচৰ দাখিল কৰিছিল। ভুক্তভোগী বিজেপি নেত্ৰীগৰাকীৰ মোবাইলত মানৱ ডেকাই পঠোৱা অশ্লীল ভিডিঅ' আৰু মেছেজ আৰক্ষীৰ হাতত দাখিল কৰিছিল যদিও মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ হোৱা বাবেই মানৱ ডেকাক আজিলৈকে অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই ফোনযোগে জয়া কলিতা নামৰ এগৰাকী যুৱতীক অশ্লীল ইংগিত দিয়া অদিঅ' টেপ ভাইৰেল হোৱাৰ পিছতো অসম আৰক্ষীয়ে কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। অসম আৰক্ষীৰ এনেকুৱা সোপাটিলা কাৰ্যকলাপৰ বাবেই মহিলাৰ ওপৰত এনেকুৱা জঘন্য অপৰাধ সংঘটিত হৈ আছে। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ ছ'চিয়েল মিডিয়া আৰু তথ্য প্ৰযুক্তি বিভাগৰ অধ্যক্ষ ৰাতুল কলিতাই 'মুখ্যমন্ত্ৰীয়ে অসমত নাৰী নিৰ্যাতন, ধৰ্ষণ কৰিবলৈ লাইচেন্স দিছে নেকি' বুলিও প্ৰশ্ন কৰে। বিজেপি শাসন কালত ৰাজ্যিক দৈনিক গড়ে ৫টা আৰু মহানগৰীত এটা ধৰ্ষণৰ গোচৰ ৰুজু হয়। বৰডুবি আৰু ডুমডুমাৰ ধৰ্ষণকাৰী বিজেপি নেতাক কেতিয়া একাউন্টৰ কৰিব বুলিও প্ৰশ্ন কৰে কলিতাই। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰিতম সিঙে অসমত মহিলা সুৰক্ষাৰ বাবে নতুন আইন প্ৰণয়ন কৰিবলৈ দাবী জনায়। অসমত নাৰী সুৰক্ষাৰ বাবে বিশেষ আইনৰ প্ৰয়োজনীয়তা নাই বুলি অসম আৰক্ষীয়ে ২৫ নৱেম্বৰত দাখিল কৰা শপতনামা গভীৰ উদ্বেগজনক বুলিও অভিহিত কৰে সিঙে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৌশলেৰে হ'ব মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

মন্ত্ৰিত্ব দিবলগীয়া হোৱাত বাৰে বাৰে এখোজ আগুৱাই গৈ দুখোজ পিছুৱাই আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। চৰকাৰখত মুখ্যমন্ত্ৰীয়ে বিগত তিনিটা বছৰত তেওঁৰ ঘনিষ্ঠসকলক মন্ত্ৰীকে ধৰি বিভিন্ন লোভনীয় পদত অধিষ্ঠ কৰি সন্তুষ্ট কৰি ৰাখিছে যদিও সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ লোকক বিশেষ গুৰুত্ব দিয়া নাই বুলি চৰ্চা হৈ আহিছে। সোণোৱালৰ ঘনিষ্ঠ চন্দ্ৰমোহন পাটোৱাৰী আৰু বিমল বৰাৰ বাহিৰে কোনো নেতাক গুৰুত্ব দিয়া হোৱা নাই। আনহে নালাগে সোণোৱালাক ঘনিষ্ঠ প্ৰশান্ত ফুকন, ৰঞ্জিত দত্ত, সিদ্ধাৰ্থা ভট্টাচাৰ্য একেবাৰে পুৰণি বিজেপি নেতা। লগতে নৱ দলৈ, পদ্ম হাজৰিকাই হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাত আজিলৈ স্থান নাপালে। দলৰ পুৰণি তথা জ্যেষ্ঠ নেতাই মন্ত্ৰীত্ব নাপালে যদিও নকৈ বিজেপিলৈ অহা নেতাই মন্ত্ৰীত্ব লাভ কৰিবলৈ সক্ষম হয়। মন্ত্ৰীত্ব নোপোৱাকৈ ৰঞ্জিত দত্তই সাংসদ হ'ল। বিগত তিনিটা বছৰে সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ বিধায়কসকলে মন্ত্ৰীত্ব লাভ কৰিবলৈ সক্ষম নোহোৱাৰ লগতে শেহতীয়াকৈ দ্বিতীয়বাৰ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভা পুনৰ সম্প্ৰসাৰণ কৰা হ'ব। কিন্তু এইবাৰো সোণোৱালাৰ ঘনিষ্ঠ প্ৰশান্ত ফুকন, সিদ্ধাৰ্থ ভট্টাচাৰ্য মন্ত্ৰিত্বৰ পৰা বঞ্চিত যে হ'ব সেয়া খাতাং। সোণোৱালৰ ঘনিষ্ঠ দিয়াতকৈ মুখ্যমন্ত্ৰীয়ে এক নতুন ফৰ্মুলা উলিয়াই বৰাক উপত্যকাৰ নাম বাৰে বাৰে মুখলৈ আনিছে। বৰাকৰ কোটাৰ পৰা মন্ত্ৰী হৈ থকা পৰিমল শুক্লবৈদ্যই সাংসদ হোৱাত মন্ত্ৰীত্ব শূন্য হোৱা বৰাক উপত্যকাত এজন মন্ত্ৰী দিয়াৰ লগতে দপ্তৰ সাল-সলনি কৰি মন্ত্ৰীপৰিষদৰ সম্প্ৰসাৰণৰ মোখনি মাৰিব খুজিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে আজি এজেণ্ডাত বৰাক উপত্যকা আছে বুলি স্পষ্ট হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক উপত্যকাৰ পৰা এজন মন্ত্ৰী ল'ব লাগিব। এজেণ্ডা সেইটোৱে আছে। যদি আলোচনাত কথাটো আহে তেতিয়াহ'লে এজন-দুজন বাঢ়িব পাৰে। কিন্তু বৰাকৰ পৰা এজন মন্ত্ৰী লোৱা হ'ব। দিল্লীত গৈ আলোচনা কৰিলেহে গম পোৱা যাব যে এজনক ল'ব লাগে নে দুই তিনিজন ল'ব লাগে। অসমৰ নেতাৰ অভিমত মতে, বৰাকৰ পৰা এজন মন্ত্ৰী লৈ থ'ব লাগে। যাতে নিৰ্বাচনৰ বছৰটোত বেছি জল্পনা-কল্পনা হৈ থাকিব নালাগে। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ দিছপুৰত চৰ্চা আৰম্ভ হৈছে। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ বৰাকতে সীমাবদ্ধ থাকিব বুলি প্ৰচাৰ হোৱাত সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ বিধায়কসকলে কমেও তিনিগৰাকী নতুন লোকক মন্ত্ৰীসভাত স্থান দিয়াক লৈ ভাগে ভাগে আলোচনাত মিলিত হোৱা বুলি জানিব পৰা গৈছে। বিজেপিৰ এটা পক্ষই ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা নাইবা বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মন্ত্ৰীত্ব লাভ কৰিব পাৰে বুলি চৰ্চা চলাইছে। বিধানসভাৰ অধ্যক্ষ পদ এৰি বিশ্বজিৎ দৈমাৰী আৰু ৰাজ্যিক বিজেপিৰ সভাপতি পদ এৰি ভৱেশ কলিতাই মন্ত্ৰী হ'ব খোজে বুলি এটা সূত্ৰই দাবী কৰিছে। যদি ভৱেশ কলিতা নাইবা বিশ্বজিৎ দৈমাৰীক মন্ত্ৰীত্ব দিয়া হয় তেন্তে বৰাকৰ পৰা এজনে মন্ত্ৰীত্ব পাব। তেতিয়াও সোণোৱালাৰ ঘনিষ্ঠসকল বঞ্চিত হ'ব। কিয়নো আগতে ভৱেশ কলিতা সোণোৱালৰ ঘনিষ্ঠ আছিল যদিও শেহতীয়াকৈ সোণোৱাল-কলিতাৰ মাজত দূৰত্ব বৃদ্ধি পাইছে বুলি এটা সূত্ৰই দাবী কৰিছে। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ মাছখোৱাত ব্ৰহ্মপুত্ৰত নিৰ্মীয়মান গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। গুৱাহাটীক যান-জঁটমুক্ত কৰাৰ উদ্দেশ্যৰে উত্তৰ গুৱাহাটী সংযোগী দলংখনত বাণিজ্যিক ট্ৰাক, ছুপাৰ আদিয়ে টোল টেক্স দিব লাগিব বুলি ইংগিত দিয়ে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত সংখ্যালঘু অঞ্চলত বিজেপিয়ে যথেষ্ট ভোট লাভ কৰিব বুলি দাবী কৰিছে। ইপিনে মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰা হ'ব বুলিও কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খাকী পোছাক থৈ আকৌ হৈ পৰিল দৰ্জী

নিশা ৮ বজা পৰ্যন্ত হুইছেলটো লৈ উক্ত ট্ৰেফিক পইণ্টটোৰে অহা-যোৱা কৰা প্ৰতিখন যান-বাহনক লৈ ভীষণভাৱে ব্যস্ত হৈ পৰিছিল তেওঁ। আৰক্ষীৰ চাকৰি নকৰিলেও আৰক্ষীৰ পেছা আৰু খাকী পোছাকযোৰৰ প্ৰতি মানুহজনৰ আছিল বিশেষ সন্মান। তেওঁ বুজি পাইছিল যে খাকী পোছাকযোৰৰ আঁৰতো থাকে এগৰাকী মানুহ। একাংশ আৰক্ষীৰ ঘৃণনীয় কৰ্ম-কাণ্ডৰ বাবে আৰক্ষীৰ প্ৰতি সম্প্ৰতি মানুহৰ ধ্যান-ধাৰণা সলনি হ'লেও এই বিশেষ ব্যক্তিগৰাকীয়ে আৰক্ষীৰ লোকসকলৰো মৰ্মবেদনা উপলব্ধি কৰিবলৈ পাৰ্যমানে যত্ন কৰিছিল। ৰ'দ-বৰষুণ, দিন-ৰাতি একাকাৰ কৰি জনহিত আৰু জনসেৱাৰ্থে কাম কৰা আৰক্ষীৰ সমস্যাবোৰে তেওঁৰ অন্তৰত দুখ দিছিল। তেওঁ দেখিছিল যে কাম অনুসাৰে আৰক্ষী বিভাগটোত নাই পৰ্যাপ্ত আৰক্ষী। ফলত আৰক্ষীৰ লোকসকলে অতিৰিক্তভাৱে কাম কৰিবলৈ বাধ্য হৈ পৰিছিল। সেয়ে এইক্ষেত্ৰত তেওঁ নিজাববীয়াকৈ যি পাৰে সেয়া কৰাৰ মানসেৰে এদিন হোমগাৰ্ডৰ খাকী পোছাকযোৰ পিন্ধি, হুইছেলটো লৈ আৰক্ষীক সহায় কৰিবলৈ বুলি আৰম্ভ কৰিছিল এক বিষেষ কাম। তাৰপিছৰে পৰা বিগত ২৫ বছৰ ধৰি আবেলিৰ পৰা সন্ধিয়া সময়খিনি তেওঁ লাভ কৰিছিল এক বিশেষ পৰিচয়। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সোঁমাজেৰে মাত্ৰ কেই কিলোমিটাৰ মান আগুৱাই আহিলেই পোৱা উদ্যোগ নগৰী হিচাপে পৰিচিত মাকুম নগৰত স্থানীয় লোকসকলৰো বহুতেই তেওঁক ট্ৰেফিকৰ দায়িত্বত থকা হোমগাৰ্ড বুলিয়েই ভুল কৰিছিল। লাহে লাহে স্থানীয় লোকসকলৰ বাদে সমগ্ৰ অসমবাসীয়ে জনা হৈছিল যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সদাব্যস্ত ক্ষুদ্ৰ মাকুম নগৰৰ ট্ৰেফিক পইণ্টত প্ৰতিদিনাই পিছবেলা দেখাপোৱা মানুহজন প্ৰকৃততে হোমগাৰ্ড নহয়। স্থানীয় মাকুম যান-বাহন আৰক্ষীক যান-বাহন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায় কৰিবলৈ স্বেচ্ছামূলকভাৱে এটকাও নোলোৱাকৈ সামাজিক দায়বদ্ধতাৰ বাবে ৰাইজ আৰু আৰক্ষীৰ সহায় হওক বুলিয়েই সেৱা আগবঢ়াই যোৱা লোকজন প্ৰকৃততে এগৰাকী দৰ্জীহে। এতিয়া পিছে এই বিশেষ ব্যক্তিগৰাকীক সেই বিশেষ স্থানত দেখা নাযায়। এই বিশেষ ব্যক্তিগৰাকী হৈছে দীপক দাস।

সুবিশাল মনৰ অধিকাৰী দীপক দাসক চিনি নোপোৱা মানুহ হয়তো তিনিচুকীয়া জিলাত খুব কম সংখ্যকহে ওলাব। মাকুম নগৰৰ সকলোৰে দীপক দাসক চিনি পোৱাই নহয়, সন্মান আৰু মৰমো দি আহিছে। দীপক দাস পেছাত এগৰাকী সাধাৰণ দৰ্জী যদিও তেওঁৰ নিজাকৈ নাই কোনো স্থায়ী দোকান। মাকুম নগৰ (মাকুম জংচন)ৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ট্ৰেফিক পইণ্টৰ কাষৰ এখন বন্ধ হাৰ্ডৱেৰ দোকানৰ বাৰাণ্ডাতেই বহু বছৰৰ পৰা দীপক দাসে এটা চিলাই মেচিন লৈ পুৱাৰ পৰা আবেলিলৈ গ্ৰাহকৰ কাপোৰ চিলাই কৰি আবেলিৰ পৰা সন্ধিয়া ৭-৮ বজালৈ মাকুম যান-বাহন আৰক্ষীক সহযোগিতা আগবঢ়াই অহা দীপক দাসে আজি কেইমাহমানৰ পৰা আবেলি আৰু সন্ধিয়াও কাপোৰকেই চিলাবলৈ লৈছে। আগৰ দৰে ট্ৰেফিক পইণ্টত যান-বাহন আৰক্ষীৰ সৈতে ঘাইপথত যান-বাহন নিয়ন্ত্ৰণত সহযোগিতা কৰাৰ কাম বাদ দিছে। কাৰণ, দিন-কাল সলনি হ'ল। সলনি হ'ল মানুহৰ মন-মগজু। প্ৰায় ২৫ বছৰে দীপক দাসে অসম আৰক্ষীক প্ৰতিদিনেই কিঞ্চিৎ হ'লেও সহযোগিতা আগবঢ়াই আহিছিল যদিও এক কথাত পাবলগীয়া প্ৰাপ্য সন্মানকণ নোপোৱাৰ বেদনাতেই সেয়া বাদ দিছে বুলি খোলা-খুলিকৈয়ে কৈ যায় দীপক দাসে। কাৰণ, বৃহত্তৰ মাকুম অঞ্চলটোত দীপক দাসৰ আছে এক সামাজিক জনপ্ৰিয়তা। পেছাত সাধাৰণ দৰ্জী হ'লেও দীপক দাস মাকুমৰ প্ৰায়বোৰ ৰাজহুৱা, সামাজিক, শৈক্ষিক, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওত:প্ৰোতভাৱে জড়িত। দীপক দাসৰ আছে পুত্ৰ-কন্যাৰে এখন সৰু তথা সুখী সংসাৰ। মেধাবী পুত্ৰ দীপাংকৰ এইবাৰ মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব। কন্যা মোহিনী সপ্তম শ্ৰেণীত অধ্যয়নৰত। পুত্ৰ-কন্যাই অধ্যয়ন কৰা মাকুমৰ অগ্ৰণী চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান মাকুম গংগাবিচন চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ এগৰাকী অন্যতম সক্ৰিয় সদস্য দীপক দাস। স্থানীয় বেতজান পথস্থিত মাকুম প্ৰাথমিক বিদ্যালয়ৰ একেৰাহে দুটা কাৰ্যকাল (ছয় বছৰ)ৰ সভাপতি দীপক দাস আন কেইবাটাও স্থানীয় অনুষ্ঠানৰ সৈতেও জড়িত। স্থানীয় "সূৰ্যোদয়", মাকুম নগৰ সমিতি (সম্প্ৰতি পৌৰসভা), মাকুম আৰক্ষী থানা, সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা, গাঁওৰক্ষী বাহিনী সংগঠনৰ উপৰিও তিনিচুকীয়া জিলাৰ তদানীন্তন আৰক্ষী অধীক্ষকৰ পৰাও ৰাজহুৱাভাৱে সম্বৰ্ধিত হোৱা দীপক দাসক ২০২৩ বৰ্ষত মাৰ্ঘেৰিটাত অনুষ্ঠিত হৈ যোৱা অসম গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীতো বিশেষভাৱে সম্বৰ্দ্ধনা জনাইছিল। শিৱসাগৰৰ মেজেঙাত জন্মগ্ৰহণ কৰা দীপক দাসৰ প্ৰয়াত পিতৃ আছিল ৰে'ল বিভাগৰ কৰ্মচাৰী। শাৰীৰিক অসুস্থতাৰ বাবে ৰে'ল বিভাগৰ চাকৰিৰ পৰা পিতৃ গিৰিন্দ্ৰ দাসে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিছিল। হাঁহিমুখীয়া দীপক দাসৰ কথাৰে, "মূল্যবৃদ্ধিয়ে জুৰুলা কৰা আজিৰ দৰে দিনত আমাৰ দৰে সাধাৰণ মানুহ জীয়াই থকাটোৱেই এক প্ৰকাৰ দুৰ্বিসহ হৈ পৰিছে। চৰকাৰে আমাৰ দৰে দুখীয়া মানুহৰ বাবে চিন্তা কৰিলে ভাল হয়!" কৰ্মই ধৰ্ম নীতিত বিশ্বাস ৰখা দীপক দাসে বিগত প্ৰায় পঁচিশ বছৰে মাকুম যান-বাহন আৰক্ষীক কিঞ্চিৎ হলেও সহযোগিতা কৰিব পৰাটো জীৱনৰ এক অনন্য প্ৰাপ্তি বুলি অভিহিত কৰে যদিও তেওঁৰ ত্যাগক চৰকাৰে স্বীকৃতি দিয়া হ'লে অধিক সুখী হ'লহেঁতেন বুলিও কয়। এসময়ত মাকুম আৰক্ষী থানাৰ সৰু-সুৰা ইটো-সিটো কামকে ধৰি চৰকাৰী ফাইল-পত্ৰ জিলা সদৰলৈও অনা-নিয়াৰ দৰে কাম বিনা বেতনে কৰা দীপক দাসৰ দৰে ত্যাগ আৰু নি:স্বাৰ্থ সমাজসেৱাৰ নিদৰ্শন এই অসম মুলুকতেই বিৰল বুলিব পাৰি। দীপক দাসৰ এনে সামাজিক দায়বদ্ধতাৰ নিদৰ্শন হৈ পৰক এক অনন্য আদৰ্শস্বৰূপ! অভাৱৰ মাজেৰে জীৱন নিৰ্বাহ কৰিলেও আনৰ ওচৰত হাত পাতিবলৈ টানপোৱা দীপক দাসে স্বাভিমান লৈয়েই জীয়াই থাকিব খোজে। আনৰ পৰা সহায় বিচৰাৰ পৰিৱৰ্তে আনক সহায় কৰিবলৈহে সদায় উদ্যত হৈ থাকে তেওঁৰ উদাৰ হৃদয়। অইনৰ দোকানৰ সমুখত আওপুৰণি চিলাই মেচিন লৈ কাপোৰ চিলাই থকা মানুহজনে কাকো নক'লেও তিৰবিৰাই থকা তেওঁৰ উজ্জ্বল চকুযুৰিয়ে হঠাৎ কেতিয়াবা মনে মনে কৈ উঠে... এদিন তেওঁৰ হাতলৈ অলপ বেছিকৈ ধন আহিব। তেওঁৰো স্থায়ীকৈ এখন দোকান হ'ব আৰু সেই দোকানত নতুনকৈ কাপোৰ চিলাই কৰা এটা অত্যাধুনিক মেচিনো আহিব! আৰু তাৰপিছত...

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কমতাপুৰ ৰাজ্যৰ দাবীৰে উত্তাল নামনি

হৈছে সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছু। বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি পৃথক কমতাপুৰ আৰু জনজাতিকৰণৰ দাবী পূৰণ নকৰিলে জংঘললৈ যাব ১ লাখ কোঁচ-ৰাংজবেশী যুৱক। আজি এইদৰে হাতত অস্ত্ৰ তুলি লোৱাৰ হুংকাৰ দিয়ে সংগঠনটোৱে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ধুবুৰী জিলাৰ বিলাসীপাৰাৰ সম-জিলাৰ কাৰ্যালয়ত সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰি হাতত অস্ত্ৰ লোৱাৰ হুংকাৰ প্ৰদান কৰিছে। বিলাসীপাৰাৰ সম-জিলাৰ কাৰ্যালয়ৰ প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি আক্ৰাছুৰ ক্ষীতিশ গোটৰ নেতা সঞ্জিত ৰায় ওৰফে ঢেপেৰাই পৃথক কমতাপুৰ আৰু জনজাতিকৰণ নকৰিলে প্ৰয়োজনত জাতিৰ বাবে অস্ত্ৰ হাতত তুলি লোৱা হ'ব বুলি ঘোষণা কৰিছে। নেতাগৰাকীয়ে কয় যে ২০১৪ চনৰ পৰা আমাক বিজেপিয়ে প্ৰতাৰণা কৰি আছে। এজন জীৱন সিংহক মাতি আনি শান্তি চুক্তি কৰি আমাক প্ৰতাৰণা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমাৰ প্ৰতিবাদক সন্মান জনাওক। যদি সন্মান নজনাই আমাৰ কোঁচ-ৰাজংবশীৰ ১ লাখ যুৱকে জংঘললৈ যাব। আমি ঘৰ-দুৱাৰ এৰিবলৈ বাধ্য হম। আমি যুদ্ধ কৰিব লাগিলে প্ৰয়োজনত হাতত অস্ত্ৰ তুলি লম। ইয়াৰ বাবে বিজেপি চৰকাৰ জগৰীয়া হ'ব। আক্ৰাছুৰ ক্ষীতিশ গোটৰ আন এগৰাকী নেতা প্ৰসেনজিৎ বৰ্মন কয় যে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে পৃথক কমতাপুৰ আৰু জনজাতিকৰণ নকৰিলে ২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিক বৰ্জন কৰিব কোঁচ-ৰাজবংশী জনগোষ্ঠীয়ে। 'চৰকাৰৰ সদিচ্ছা নাই যদি স্পষ্টকৈ কৈ দিয়ক। গণতান্ত্ৰিক প্ৰতিবাদৰ লগতে আমি তেতিয়া ৰাজনৈকিভাৱে বিজেপি চৰকাৰ ভাঙি পেলাম।'-নেতাজনে কয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কঠিন সময়তো কলমটো বন্ধকত নথৈ

সৈতে খেলি ভালপোৱা সাংবাদিকজন অৱশেষত গ'লগৈ। সঁচা কথা ক'বলৈ তিলমানো ভয় নকৰা এইগৰাকী সাংবাদিক আন কোনো নহয়, তেওঁ হৈছে ছ'চিয়েল মিডিয়াত শদিয়াৰ পৰা ধুবুৰীলৈ সকলোৱে চিনি পোৱা ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ সাংবাদিক বুলন কুমাৰ শইকীয়া। যিসময়ত অসমৰ এগৰাকী বিশিষ্ট বাঁহী বাদকে আৰ্থিক সাহায্য বিচাৰি ফেচবুকত পোষ্ট দিবলৈ বাধ্য হৈছে সেই সময়তে বৃহস্পতিবাৰে পুৱতি নিশা সমাজৰ অতন্দ্ৰ প্ৰহৰীস্বৰূপ সাংবাদিকগৰাকীয়ে চিকিৎসাৰ অভাৱত অকালতে মৃত্যুক আকোৱালি ল'বলগীয়াত পৰে। যকৃত সংৰোপণ কৰিবলৈ প্ৰায় ৩৫ লক্ষ টকাৰ প্ৰয়োজন আছিল যদিও সেই ধন সময়মতে যোগাৰ কৰিব নোৱাৰাৰ ফলতে মৃত্যুমুখত পৰে বিশিষ্ট সাংবাদিকগৰাকী। ২০২২ চনৰ পৰা যকৃত ৰোগত আক্ৰান্ত হৈ থকা বুলন কুমাৰ শইকীয়াই আজি পুৱতি নিশা নাহৰকটীয়াৰ নিজ বাসগৃহত ৪৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। পত্নী, এগৰাকী কন্যা আৰু পিতৃ-মাতৃক এৰি চিৰবিদায় মাগে শইকীয়াই। যকৃতৰ জটিল ৰোগত আক্ৰান্ত শইকীয়াই উন্নত চিকিৎসাৰ বাবে নিজকে সাজুও কৰিছিল কিন্তু চিকিৎসা আৰু কৰা নহ'ল। শইকীয়াৰ মৃত্যুৰ লগে লগে এটি সংগ্ৰামী সত্তা হেৰুৱালে অসমে। ১৯৭৬ চনৰ ১ জানুৱাৰীত জন্মগ্ৰহণ কৰা বুলন শইকীয়াই নব্বৈৰ দশকত সংবাদ ক্ষেত্ৰখনত ভৰি দিছিল। অসমৰ প্ৰথমটো ছেটেলাইট নিউজ চেনেল এন.ই টিভিত ২০০৮ চনৰ পৰা সাংবাদিকতা কৰি এই কঠিন যাত্ৰাৰ আৰম্ভ কৰিছিল। পিছলৈ আজিৰ দৈনিক বাতৰি, অসমীয়া প্ৰতিদিন, ডি-ৱাই-৩৬৫ৰ জৰিয়তে নাহৰকটীয়াৰ পৰা সংবাসেৱা কৰিছিল। ঘৃণাৰ ৰাজনীতিৰ বিৰুদ্ধে, সমাজৰ পঞ্জীভূত ক্ষোভক প্ৰতিফলিত কৰিলৈ শইকীয়াই 'গ্ৰাউণ্ড নিউজ অসম' নামেৰে এটা পৰ্টেলো আৰম্ভ কৰিছিল যদিও শাৰীৰিক অসুস্থতাৰ বাবে সেই পৰিকল্পনা আধৰুৱা হৈ ৰয়। 'কা' আন্দোলনৰ পটভূমিত 'ঐক্যতান' লিখিছিল। আনহাতে, 'আৰাকান ইন্টেল' তেওঁৰ বিশেষভাৱে চৰ্চিত কিতাপ আছিল। পৰৱৰ্তী পৰিকল্পনা আছিল চি-এন-চি শিৰোনামেৰে এখন গ্ৰন্থ প্ৰকাশ কৰাৰ। আৰাকান ইন্টেলৰ জৰিয়তে সাহসী সাংবাদিক শইকীয়াই ম্যানমাৰ অঞ্চলৰ ভূ-ৰাজনীতিৰ সৈতে কিদৰে বিভিন্ন দেশ, সংস্থা আদি জড়িত হৈ থাকে সেই সন্দৰ্ভত কিছু আভাস দিছিল। কিতাপখনে ভাৰতীয় আৰু অসমকেন্দ্ৰিক ৰাজনৈতিক চিন্তাধাৰা ফুটাই তুলিছিল। কিতাপখনে যথেষ্ট সমাদৰ লাভ কৰিছিল। পৰেশ বৰুৱাৰ মাতৃ মিলিকি বৰুৱাৰ মাতৃৰ নামেৰে 'আইৰ নাম মিলিকি বৰুৱা' শীৰ্ষক বিদ্ৰোহী কবিতাৰ সংকলন এখনো প্ৰকাশ কৰি উলিয়াইছিল তেওঁ। স্বাভিমানী বুলন কুমাৰ শইকীয়া একেৰাহে সমালোচক, বিশিষ্ট লেখক, নিবন্ধকাৰ, ঔপন্যাসিক হিচাপেও পৰিচিত আছিল। ব্যংগাত্মক লেখাৰে তেওঁ সমাজৰ বাস্তৱবোৰ তীৰ্যকভাৱে ফুটাই তুলিছিল। বেছি সংখ্যক সাংবাদিকেই শাসক দলক তোষামোদ কৰাত ব্যস্ত থকাৰ সময়তে শাসক পক্ষৰ প্ৰতিটো ভুলক ভুল বুলি ক'বলৈ অকণো সংকোচ কৰা নাছিল বুলন কুমাৰ শইকীয়াই। যাৰ বাবে শাসক পক্ষৰ ৰোষত পৰিছিল সাংবাদিকগৰাকী। আৰক্ষী বাহিনী প্ৰেৰণ কৰি হাৰাশাস্তি কৰিছিল যদিও তেওঁ কেতিয়াও মূৰদোৱাই থাকিবলৈ শিকা নাছিল। ৰাজ্যৰ এগৰাকী বিশিষ্ট লেখিকাৰ স্বৰূপ উদঙাই দি বহু তথাকথিত বুদ্ধিজীৱিৰো ৰোষত পৰিছিল সাংবাদিক শইকীয়া। মুধাফুটা লেখিকাগৰাকীয়ে তেওঁৰ এখন বিখ্যাত গ্ৰন্থৰ ইংৰাজী অনুবাদত অনুবাদকৰ নাম নিদিয়া প্ৰসংগক লৈ ধাৰাবাহিক বাতৰি প্ৰকাশ কৰি সেই লেখিকাগৰাকীৰ স্তাৱক বাহিনীৰ মানসিক হাৰাশাস্তিৰো সন্মুখীন হ'বলগীয়াত পৰিছিল শইকীয়া। সাহসী বুলন শইকীয়াই বৌদ্ধিক মহলৰ একাধিক সুবিধাবাদীৰ স্বৰূপো সময়ে সময়ে উদঙাই আহিছিল। বুলন কুমাৰ শইকীয়াই নাহৰকটীয়া অঞ্চলৰ পৰা সাংবাদিকতা কৰিলেও সমগ্ৰ অসমৰ খবৰবোৰ আছিল তেওঁৰ নখ দৰ্পণত। বিদ্ৰোহী গোটৰ ভিতৰৰ খবৰবোৰ উলিয়াই আনিবলৈ সক্ষম হৈছিল শইকীয়া। ৮ অক্টোবৰত শইকীয়াই ফেচবুকত এটা পোষ্ট দি নিজৰ স্বাস্থ্যজনিত অৱস্থাৰ বিষয়ে অনুৰাগীসকলক জনাই লিখিছিল, "যকৃত সংৰোপণৰ বাবে ভাৰতৰ ক'ত ক'ত সুবিধা আছে আৰু পেকেজৰ মূল্য কি সেই সম্পৰ্কতো যোগাযোগ কৰি আছো। যাতে খৰছৰ ফালৰ পৰা সকাহ পোৱা যায়। কাৰণ ৩৫ শ খোজ (৩৫ লক্ষ টকা) কেৱল আপোনালোকৰ সঁহাৰিতেই যাত্ৰাটো পাৰ কৰি দিব বিচৰা নাই । থৰক বৰক হ'লেও প্ৰতিমাহত মোৰ নিজৰো খোজ থাকিব।" একেটা পোষ্টত তেওঁ লিখিছিল, "জুই আৰু মৃত্যুৰ সৈতে মই খেলা কৰি থাকিব পাৰো, ই মোৰ স্বভাৱ। জীয়াই থকাটো মোৰ বাবে স্বপ্নবিলাস। কিন্তু জীৱনৰ কঠিনতাখিনি যদি দেখিয়েই নাযাওঁ তেতিয়া হ'লেনো কিটো জনম ল'লো?" এই পোষ্টটোত তেওঁ জীৱন সংগ্ৰাম আৰু আৰ্থিক অনাটনৰ কথাখিনি উল্লেখ কৰিছিল যদিও কাৰোবাৰ পৰা সহায় ল'বলৈ খুব আগ্ৰহী হোৱা পৰিলক্ষিত নহ'ল। এইগৰাকী জ্যেষ্ঠ সাংবাদিকে চৰকাৰ, ৰাজনৈতিক দলৰ নেতাক ব্যংগাত্মক ৰূপত উপস্থাপন কৰি সমালোচনা কৰিছিল। যাৰ বাবে হয়তো চৰকাৰী আঁচনি থকাৰ পিছতো আবেদন নকৰিলে। কিয়নো যিগৰাকী সাংবাদিকক বাৰে বাৰে চৰকাৰী পক্ষই দমন কৰিবলৈ প্ৰয়াস কৰিছিল সেইগৰাকী সাংবাদিকে হয়তো ভাবি লৈছিল তেওঁক চৰকাৰে সহায় নকৰে। ৰাজ্য চৰকাৰে অসমৰ সাংবাদিকসকলে কোনো জটিল ৰোগত আক্ৰান্ত হ'লে ৰোগৰ চিকিৎসা কৰিবৰ বাবে ২০০৯-১০ বৰ্ষৰ পৰা এখন বিশেষ আঁচনি ৰূপায়ন কৰি ৰাখিছে। কিন্তু সেইখন আঁচনি থকাৰ পিছতো নিজেও সহায় নিবিচাৰিলে আৰু চৰকাৰেও সাংবাদিকজনক সহায় নকৰিলে। সাহসী আৰু নিৰপেক্ষ বাতৰি পৰিৱেশনেৰে সমাজ জীৱনক সমৃদ্ধ কৰা শইকীয়াৰ বাবে কলমটো আছিল চোকা অস্ত্ৰৰ দৰে। চোকা অস্ত্ৰ কলমটোৰ বাবে বাৰে বাৰে ৰোষত পৰিছিল। জ্যেষ্ঠ সাংবাদিক ললিত গগৈয়ে বুলন শইকীয়াৰ মৃত্যুৰ পিছতে এটা ফেচবুক পোষ্টযোগে মনোভাৱ প্ৰকাশ কৰিছে। ললিত গগৈয়ে কয় যে ফেচবুকত শাসক-বিৰোধী উভয় পক্ষকে শাণিত ৰাজনৈতিক টিপ্পনী আৰু ব্যংগ-ভ্ৰুকুটিৰে সদা সক্ৰিয় বুলনক কাহানিও লগ পোৱা নাই যদি তেওঁৰ কলমে সততেই আমাৰ মন-মগজুক আঁচোৰ মাৰি গৈছিল। শেহতীয়াকৈ তেওঁক কিছু স্তিমিত হৈ পৰা দেখিয়েই অনুমান কৰিছিলো যে হয়তো শাৰীৰিক অসুবিধাই কিছু পীড়িত কৰি ৰাখিছে। কাৰণ ২০২২ চনত যকৃত ৰোগত আক্ৰান্ত হৈ মৃত্যুপথৰ পৰা উভতি আহিলেও সম্পূৰ্ণৰূপে আৰোগ্য হোৱা নাছিল। তাৰ মাজতো কাৰোৰে ওচৰত হাত নপতাকৈ পেটৰ ভাত মোকলাবলৈ নিজে এটা ক্ষুদ্ৰ খাদ্য উদ্যোগ প্ৰতিষ্ঠানো গঢ়ি তুলিছিল। তাৰ আগতে এটা পৰ্টেলো জন্ম দিছিল। মোৰ বিশ্বাস এখন উপযুক্ত মঞ্চ পোৱা হলে বুলনৰ অধিক দুদান্ত সাহসিকতাৰ পৰিচয় হলহেতেঁন। ইপিনে সামাজিত মাধ্যমত বুলন শইকীয়াৰ মৃত্যুৰ পিছতে হাজাৰ হাদাৰ লোকে শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ কৰ্মৰাজীক চৰ্চা কৰিছে। প্ৰথমবাৰ হয়তো গ্লেমাৰবিহীন কোনো সাধাৰণ লোকক অসমৰ মানুহে সামাজিকমাধ্যম যোগে এনেদৰে স্মৰণ কৰিছে। প্ৰকৃততে এয়া বিৰল। জ্যেষ্ঠ সাংবাদিকজনৰ মৃত্যুত শোক প্ৰকাশ কৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সোণোৱালে কয়, 'নাহৰকটীয়াৰ যশস্বী সাংবাদিক, সুলেখক, উদ্যমী তথা সমাজসেৱী বুলন কুমাৰ শইকীয়াৰ বিয়োগৰ খবৰটো পাই মৰ্মাহত হৈছো। নিৰ্ভীক সাংবাদিকতা, উদ্যমিতা আৰু সৃষ্টিশীল লেখাৰে তেখেতে সমাজ জীৱনলৈ আগবঢ়াই থৈ যোৱা অৰিহণা স্মৰণীয় হৈ থাকিব। তেখেতৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলোঁ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ মোৰ তৰফৰপৰা গভীৰ সমবেদনা জনালোঁ। ওঁম শান্তি!' নাহৰকটীয়া প্ৰেছ গীল্ড, নাহৰকটীয়া ক্ৰীড়া সন্থা, যুৱ-ছাত্ৰ পৰিষদ, অসম বিহু সন্মিলন, নাহৰকটীয়া প্ৰেছ ক্লাব, দুলীয়াজান সন্মিলিত সাংবাদিক মঞ্চ, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয় পৰিষদৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। ক'বলৈ গ'লে জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে নাহৰকটীয়াৰ লগতে সমগ্ৰ ৰাজ্যৰখন। ছ'চিয়েল মিডিয়াতো শদিয়াৰ পৰা ধুবুৰীলৈ অসংখ্য নেটিজেনে বুলন শইকীয়াৰ দৰে এগৰাকী সাহসী সাংবাদিকৰ মৃত্যুত শোক প্ৰকাশ কৰা দেখা গৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বাইক চুৰিৰ সন্দেহ! ৰঙা ঘৰৰ আলহী শিক্ষক



**ই-সংবাদ, গোলকগঞ্জ, ২৮ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ বিচনদৈ বাঘমাৰাত আনৰ স্কুটীৰ নম্বৰ নিজৰ বাইকত লগাই আৰক্ষীৰ চকুত ধূলি দিবলৈ গৈ কালি সন্ধিয়া জব্বাৰ আলী নামৰ এজন শিক্ষক আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হয়। শিক্ষা বৃত্তিত জড়িত শিক্ষকজনৰ উক্ত ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত। ঘটনাৰ বিৱৰণী মতে, আগমনি শিক্ষা খণ্ডৰ অন্তৰ্গত মধ্য কাচখানা নিলুময়ী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক জব্বাৰ আলীয়ে তেওঁৰ নিজৰ নম্বৰবিহীন বাইকত এ এছ-১৭ এল-৩১৫৭ নম্বৰ লিখি আৰক্ষীৰ চকুত ধূলি দি ঘূৰি ফুৰিছিল। কিন্তু বাইকৰ নম্বৰ প্লেটখন কালি বিচনদৈৰ বাঘমৰা বজাৰত গোলকগঞ্জ আৰক্ষী থানাৰ যান-বাহন বিভাগৰ আৰক্ষী বিষয়া উদয় ৰায়ৰ চকুত পৰে। আৰক্ষী বিষয়া ৰায়ে বাইকখন জব্দ কৰি তদন্ত কৰোঁতে উৰহীৰ ওৰ ওলাই পৰে। আৰক্ষীৰ প্ৰাথমিক তদন্তত বাইকৰ উক্ত নম্বৰটো বিলাসীপাৰাৰ অন্তৰ্গত ৰাণীগঞ্জৰ এখন স্কুটীৰ বুলি জিলা পৰিবহণ বিভাগত পঞ্জীয়ন হৈ আছিল। সেয়ে নম্বৰটো ভুৱা বুলি প্ৰমাণিত হোৱাত শিক্ষক জব্বাৰ আলীক গোলকগঞ্জ আৰক্ষীয়ে আটক কৰি ওৰে নিশা লকআপত ৰাখে।

# জৰাজীৰ্ণ কাঠৰ দলঙৰ বাবে জীয়াতু ভুগিছে পশ্চিম মইনবৰীৰ ৰাইজে

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২৮ নৱেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম মইনবৰীত এখন কাঠৰ দলঙে পথচাৰীৰ জীৱনলৈ বিপদ নমাইছে। নিতৌ কেইবাখনো গাঁৱৰ শ শ লোকৰ লগতে কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে জৰাজীৰ্ণ কাঠৰ দলংখনেৰে অতি কষ্টৰ মাজেৰে যাতায়াত কৰে। আনহাতে, দলংখন চাপৰ হোৱাৰ বাবে দুচকীয়া বাহনৰ পৰা আৰম্ভ কৰি চাৰিচকীয়া বাহন যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সমুখীন হৈ আহিছে। উল্লেখ্য যে ৮ মাহ পূৰ্বে দলং মেৰামতিৰ নামত অহা ধনেৰে ঠিকাদাৰে নিম্নমানৰ কাঠ ব্যৱহাৰ কৰি দলংখন মেৰামতি কৰে যদিও ইয়াৰ দ্বাৰা কোনো ধৰণৰ সমস্যা সমাধান নোহোৱাত ৰাইজ ক্ষুব্ধ হৈ পৰে। অতি শীঘ্ৰেই দলংখন পুনৰ মেৰামতি কৰি যাতায়াতৰ সুবিধা কৰি দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

## প্ৰতিৱেশীৰ প্ৰহাৰত ২ সন্তানৰ পিতৃৰ মৃত্যু, পলাতক ২ অভিযুক্ত

# ভূমিকেন্দ্ৰিক সংঘাতে ডিমাকুছিত ল'লে ভয়ংকৰ ৰূপ

**ই-সংবাদ, ডিমাকুছি , ২৮ নৱেম্বৰঃ** ভূমিকেন্দ্ৰিক সংঘাতৰ বাবে ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তৰ ডিমাকুছিৰ ২নং ৰজাগড়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ২৫ নৱেম্বৰত ৰজাগড়ত দুটা প্ৰতিৱেশী পৰিয়ালৰ মাজত সংঘটিত হৈছিল ভূমিকেন্দ্ৰিক সংঘাত। এই ভূমিকেন্দ্ৰিক সংঘাতৰ বাবে বৃহস্পতিবাৰে প্ৰাণ হেৰুৱালে ডিমাকুছিৰ ২নং ৰজাগড়ৰ নিবাসী ৰামকৃষ্ণ সন্যাসী নামৰ ব্যক্তিজনে। এই ভূমিকেন্দ্ৰিক সংঘাতত জড়িত একেটা পৰিয়ালৰ তিনিজন সদস্যক ইতিমধ্যে আটক কৰিছে ডিমাকুছি আৰক্ষীয়ে। উল্লেখ্য যে ভূমিকেন্দ্ৰিক সংঘাতত মৃত্যু হোৱা ৰামকৃষ্ণ সন্যাসীয়ে ২৫ নৱেম্বৰত প্ৰতিৱেশী নন্দলাল দাস নামৰ লোকজনৰ পৰিয়ালৰ সৈতে ভূমিৰ সীমাক লৈ তৰ্কযুদ্ধত লিপ্ত হৈছিল। পৰৱৰ্তী সময়ত তৰ্কযুদ্ধই ভয়ংকৰ ৰূপ লোৱাত নন্দলাল দাসসহিতে তেওঁৰ পৰিয়ালে ৰামকৃষ্ণ সন্যাসীক চোকা অস্ত্ৰৰে প্ৰহাৰ কৰে। সংকটজনক অৱস্থাত ৰামকৃষ্ণক ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও তিনিটা দিন চিকিৎসালয়ত মৃত্যুৰে যুঁজি অৱশেষত বৃহস্পতিবাৰে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ভূমিকেন্দ্ৰিক সংঘাতৰ বাবে ৰামকৃষ্ণ সন্যাসীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰিছে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। দুই প্ৰতিৱেশী পৰিয়ালৰ মাজত দীৰ্ঘদিনে চলি থকা সীমা বিবাদৰ বাবেই দুই সন্তানসহ গৰ্ভৱতী পত্নীক এৰি ৰামকৃষ্ণ সন্যাসীয়ে প্ৰাণ হেৰুৱাৰ পিছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় ৰজাগড়ত। ইফালে সীমাক লৈ সৃষ্টি হোৱা কাজিয়াৰ ফলশ্ৰুতিতে নন্দলাল দাস আৰু পৰিয়ালৰ আন সদস্যই কৰা প্ৰহাৰত ৰামকৃষ্ণৰ মৃত্যু হোৱা বুলি ডিমাকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ৰামকৃষ্ণ সন্যাসীৰ পৰিয়ালে । ৰামকৃষ্ণৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তীব্ৰ উত্তেজনাই বিৰাজ কৰে ৰজাগড়ত। পৰৱৰ্তী সময়ত ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহানন্দ ভূএগ্ৰাৰ নেতৃত্বত যোৱা আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। বৃহস্পতিবাৰে দিনৰ ভাগত দুই অভিযুক্ত নন্দলাল দাস আৰু সাৱিত্ৰী দেৱনাথে ডিমাকুছি আৰক্ষী থানাত আত্মসমৰ্পণ কৰাৰ বিপৰীতে আন এজন অভিযুক্ত দীপা দাসক ডিমাকুছি আৰক্ষীয়ে ঘৰৰ পৰাই আটক কৰে। সম্প্ৰতি আন দুই অভিযুক্ত মিঠুন দাস আৰু বিকু দাস বৰ্তমানেও পলাতক বুলি জানিব পৰা গৈছে। একেটা পৰিয়ালৰ পাঁচজনকৈ লোকে প্ৰহাৰ কৰি প্ৰতিৱেশীৰ প্ৰাণ লোৱা ঘটনাই ইতিমধ্যে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি নন্দলাল দাসৰ পৰিয়ালে উপৰ্যুপৰি আক্ৰমণ চলোৱাৰ বাবেই ৰামকৃষ্ণ সন্যাসীয়ে প্ৰাণ হেৰুৱায়। অৱশ্যে মৰণোত্তৰ পৰীক্ষা আৰু আৰক্ষীৰ তদন্ততহে সমগ্ৰ ঘটনা পোহৰলৈ আহিব।



মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ সদৌ অসম কৰ্মচাৰী পৰিষদৰ নৱ নিৰ্বাচিত সভাপতি আৰু সম্পাদকৰ

## বালি মাফিয়াৰ সৈতে বন বিভাগ-প্ৰশাসনৰ গোপন মিতিৰালি

# হাজোৰ লখাইতৰা নৈত দিনে-নিশাই অব্যাহত বালি খনন

**ই-সংবাদ, হাজো, ২৮ নৱেম্বৰঃ** কামৰূপ জিলাৰ হাজো বন বিভাগৰ অন্তৰ্গত কলিতাকুছি লখাইতৰা নৈৰ বুকুত বালি মাফিয়াই চলাইছে সন্ত্ৰাস। কোনো ধৰণৰ নীতি-নিয়ম নমনাকৈ জধেমধে নৈৰ বুকুত চলাই গৈছে অবৈধ খনন। যাৰ ফলত আতংকিত হৈ পৰিছে নৈ পৰীয়া সাধাৰণ নাগৰিক। দিনে নিশাই ডাম্পাৰ, জেচিবি, ট্ৰেক্টৰৰ তীব্ৰ গতিবেগেৰে হাজোৰ ভিন্ন অঞ্চলত তীব্ৰ সন্ত্ৰাস চলাই গৈছে ভূ-মাফিয়াসকলে। সকলো দেখি শুনিও নিৰৱ নিশ্চুপ হাজো আঞ্চলিক বন বিভাগ আৰু কামৰূপ জিলা প্ৰশাসনৰ বিশেষ টাস্ক ফৰ্ছ। স্থানীয় সচেতন ৰাইজৰ অভিযোগ- একাংশ দুৰ্নীতিগ্ৰস্ত বন বিষয়া, কৰ্মচাৰীক মেনেজ কৰিয়ে এইদৰে সন্ত্ৰাস চলাই গৈছে বালি-মাফিয়াই। যাৰ ফলত এইসকল বালি-মাফিয়াৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই হাজো বন বিভাগে। কেতিয়ালৈ বালি-মাফিয়াৰ এই সন্ত্ৰাস অব্যাহত থাকিব বুলি এতিয়া প্ৰশ্ন উত্থাপন কৰিছে স্থানীয় ৰাইজে। এইসকল বালি-মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'ব পাৰিব নে হাজো আঞ্চলিক বন বিভাগে আৰু জিলা প্ৰশাসনৰ টাস্ক ফৰ্ছে? হাজো বন বিভাগ আৰু জিলা প্ৰশাসনৰ টাস্ক ফৰ্চে সকলো দেখিও চকু মুদা কুলিৰ ভাও ধৰি থকাত এতিয়া অঞ্চলটোত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

# নগাঁৱৰ কামপুৰ, বৰকলাত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত

**ই-সংবাদ, কামপুৰ, ২৮ নৱেম্বৰঃ** কৃষকৰ বাবে এক সম্ভাৱনাপূৰ্ণ মাহ হ'ল আঘোণ মাহ। সাধাৰণতে এই মাহতেই কৃষক ব্যস্ত হৈ পৰে পথাৰৰ সোণগুটি চপোৱাত। কিন্তু নগাঁও জিলাৰ কিছু কিছু এলেকাত পথাৰত সোণগুটি চপাবলৈ গৈ কৃষকসকল থমকি ৰ'ব লগা হৈছে। কিয়নো এই অঞ্চলসমূহত যোৱা দুদিন ধৰি বনৰীয়া হাতীয়ে উপদ্ৰৱ অব্যাহত ৰাখিছে। জিলাখনৰ কামপুৰৰ তেতেলীসৰা, তেলীয়াআটি, পলশা, কচাৰীখন্দা আদি বৃহত্তৰ এলেকাত প্ৰায় ১০০ জনীয়া বনৰীয়া হাতীৰ জাকে অৱস্থান কৰি উপদ্ৰৱ অব্যাহত ৰাখিছে। বনৰীয়া হাতীৰ জাকটোৱে এই বৃহৎ এলেকাৰ শালিধানৰ খেতিৰ ব্যাপক অনিষ্ট সাধন কৰিছে। আজি পুৱাৰ ভাগত কৃষকে ধান কাটি থকা অৱস্থাত হাতীৰ জাকটো পথাৰ অভিমুখে অহাত কৃষকে আধাতে ধান কটা সামৰি ঘৰলৈ উভতি যাব লগা পৰিস্থিতিৰ সৃষ্টি হয়। বনৰীয়া হাতীয়ে অঞ্চলটোৰ শালিধানৰ খেতি খাই তহিলং কৰাত এতিয়া কৃষকে মূৰে-কপালে হাত দিব লগা অৱস্থাৰ সৃষ্টি হৈছে। হাতীৰ জাকটোৱে পলসা ৰিজাৰ্ভত অৱস্থান কৰি থকাত কৃষক ৰাইজৰ মাজত হাহাকাৰ সদৃশ পৰিৱেশে বিৰাজ কৰিছে। বানপীড়িত এই এলেকাৰ কৃষকে বানত ক্ষতিগ্ৰস্ত হোৱাৰ পিছত অতি কষ্টৰে শালিধানৰ খেতি কৰিছিল যদিও এতিয়া ভূতৰ ওপৰত দানহ পৰাদি বনৰীয়া হাতীয়ে পথাৰৰ সোণগুটি খাই তহিলং কৰাত কৃষকৰ মূৰত স্বৰগ ভাগি পৰিছে। আনহাতে, জিলাখনৰ বৰকলা অঞ্চলতো বনৰীয়া হাতীয়ে তাণ্ডৱ চলাইছে। বৰকলা অঞ্চলৰ পালেংতলি আদি এলেকাত হাতীয়ে অৱস্থান কৰি খেতি পথাৰৰ ক্ষতিসাধন কৰিছে। কৃষক ৰাইজে বন বিভাগক বনৰীয়া হাতীৰ অৱস্থিতিৰ বিষয়ে অৱগত কৰে যদিও বন বিভাগৰ লোক পলমকৈ উপস্থিত হৈ হাতীৰ জাকক খেদি পঠিয়াবলৈ চেষ্টা কৰিছে যদিও সফল হোৱা নাই। খাদ্যৰ সন্ধানত বনৰীয়া হাতীৰ জাকটো জনাঞ্চললৈ নামি আহি খেতি পথাৰৰ ক্ষতিসাধন কৰিছে। অঞ্চলটোৰ ভুক্তভোগী কৃষক ৰাইজে বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা খেতিপথাৰ ৰক্ষা কৰাৰ বাবে বন বিভাগক অতি শীঘ্ৰে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

### ৰাজহুৱা হিচাপ নিৰীক্ষণ সমিতিৰ পৰিদৰ্শন, ব্যৱস্থা গ্ৰহণৰ আশ্বাস

# ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্প নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, শিৱসাগৰ, ২৮ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ ভিন্ন স্থানত নিৰ্মীয়মান কেইবাটাও চৰকাৰী প্ৰকল্পত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছে। নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ, বিসংগতিপূৰ্ণ নিৰ্মাণ-কাৰ্য চলাই একাংশ ঠিকাদাৰে লাখ লাখ টকা লুণ্ঠন চলোৱাৰ অভিযোগ উঠিছে। বিশেষকৈ শিৱসাগৰৰ ঐতিহাসিক ৰূপহী পথাৰত জে চি ইনফ্ৰা ক'ৰ্পৰেচন লিমিটেড নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে নিৰ্মাণ-কাৰ্য চলাই থকা বহু কোটি টকীয়া 'ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্প'ৰ নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক অনিয়মৰ আশ্ৰয় লোৱাৰ অভিযোগ উঠিছে। প্ৰায় ৪১ বিঘা ভূমিত শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ জ্ঞাতসাৰে উক্ত ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে অনিয়মেৰে ক্ৰীড়া প্ৰকল্পটোৰ নিৰ্মাণ-কাৰ্য চলাই থকা বুলি অভিযোগ উঠাৰ সময়তে বৃহস্পতিবাৰে প্ৰকল্পস্থলীত উপস্থিত হয় অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিৰীক্ষণ সমিতি। সমিতিৰ শ্বেয়াৰমেন তথা বিধায়ক নুৰুল হুদাৰ নেতৃত্বত অহা ৰাজহুৱা হিচাপ নিৰীক্ষণ সমিতিৰ দলটোৱে জিলাখনৰ আন কেইবাটাও প্ৰকল্প তথা আঁচনিৰ কাম-কাজ নিৰীক্ষণ কৰাৰ পিছতে ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণ-কাৰ্য পৰিদৰ্শন কৰে। প্ৰকল্পটোৰ নিৰ্মাণ-কাৰ্যত শিল, বালি আদি অতি নিম্নমানৰ ব্যৱহাৰৰ লগতে বালিৰ পৰা অপ্ৰয়োজনীয় জাৰৰ, মাটি আঁতৰ নকৰাকৈয়ে ব্যৱহাৰ কৰা বুলি একাংশই অভিযোগ উত্থাপন কৰিছে। এই অভিযোগৰ ভিত্তিতেই নিৰ্মাণ-কাৰ্য পৰিদৰ্শন কৰিবলৈ অহা বুলি সদৰি কৰে নুৰুল হুদাই। তেওঁ কয় যে অভিযোগ লাভ কৰিয়েই আজি আমি ইয়াত কাম-কাজসমূহ নিৰীক্ষণ কৰিছোঁ। আমাৰ লগত অহা লোক নিৰ্মাণ বিভাগৰ অভিযন্তাসকলে নিৰ্মাণ-কাৰ্য পৰীক্ষা কৰিছে। টেষ্টিঙত যি ওলাব তাৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী পদক্ষেপ লোৱা হ'ব। এই বিষয়ে আমি পৰ্যালোচনা কৰিম। যদি বিসংগতি ওলাই তেন্তে বিহিত ব্যৱস্থা লোৱা হ'ব। উল্লেখ্য যে নিৰীক্ষণ সমিতিৰ দলটোত আছিল শ্বেয়াৰমেনৰ উপৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উৎপল বৰা, চক্ৰধৰ গগৈ, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কৰিমউদ্দিন বৰভুঞাসহ ৭ গৰাকী বিধায়ক। এই সন্দৰ্ভত দেৱব্ৰত শইকীয়াই নিৰ্মাণ-কাৰ্যত বিসংগতি ধৰা পৰিলে চৰকাৰক আৰু সংশ্লিষ্ট বিভাগক জবাবদিহি কৰা হ'ব বুলি মন্তব্য কৰে। তেওঁ লগতে ৰাজহুৱা হিচাপ নিৰীক্ষণ সমিতিয়ে ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্পত উপস্থিত হোৱাৰ আগেয়ে কোঁৱৰপুৰ মৌজাৰ বলিয়াঘাটত এটা পকী পথৰ নিৰ্মাণ-কাৰ্যত হোৱা বিসংগতি ধৰা পেলাই তৎকালীনভাৱে পুনৰ নিৰ্মাণৰ নিৰ্দেশ দিয়া বুলিও সংবাদ মাধ্যমক সদৰি কৰে। সেইদৰে সমিতিয়ে ডিব্ৰুগড় জিলাত নিৰ্মাণৰত আয়ুস হাস্পতালৰ কাষতে অবৈধভাৱে চলি থকা বালিখনন পৰিদৰ্শন কৰি এই অবৈধ খনন বন্ধ কৰাৰো ব্যৱস্থা কৰা বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে নিৰীক্ষণ সমিতিয়ে বৃহস্পতিবাৰে পুৱাই কিছুদিন পূৰ্বে অসম চৰকাৰৰ পুঁজিৰে ডিমৌ ৰাইছাইত নিৰ্মাণ সম্পূৰ্ণ কৰা এখন খেলপথাৰো পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত সমিতিক লোক নিৰ্মাণ বিভাগৰ অভিযন্ত্ৰা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী অশ্বিনী দলেসহ কেইবাগৰাকী প্ৰশাসনিক বিষয়াই সংগ দিয়ে। উল্লেখ্য যে অনাগত সময়ত লোক নিৰ্মাণ বিভাগৰ সংশ্লিষ্ট অভিযন্তা-ঠিকাদাৰৰ বিৰুদ্ধে সমিতিয়ে কি প্ৰতিবেদন প্ৰস্তুত কৰিব সেয়া লক্ষ্যণীয় হ'ব। ইফালে বৃহস্পতিবাৰৰ দিনটোতে আমগুৰি ষ্টেডিয়ামৰ লগতে মহকুমা কৃষি বিভাগৰ এটা নিৰ্মীয়মান ভৱন পৰিদৰ্শন কৰে দলটোৱে। নিৰ্মাণ-কাৰ্যৰ বিসংগতি, বিশেষকৈ আমগুৰি ষ্টেডিয়ামৰ কামক লৈ অসন্তুষ্টি প্ৰকাশ কৰে দলটোৱে।

## ৰঙিয়াত দুৰ্ঘটনাত পতিত বৰযাত্ৰীৰ বাহন, আহত দুজন

ই-সংবাদ, ৰঙিয়া, ২৮ নৱেম্বৰঃ ৰঙিয়াৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বৰলীয়া নৈৰ দলঙত যোৱা নিশা দুৰ্ঘটনাগ্ৰস্ত হয় বৰযাত্ৰী কঢ়িওৱা এখন মাৰুতি আৰ্টিকা বাহন। বৰপেটা জিলাৰ সৰুপেটাৰ পৰা দৰা কুশল দাসে বকোলৈ বিবাহ কৰাবলৈ গৈ থকা সময়তে দুৰ্ঘটনাত পতিত হয় AS-15 A-3244 নম্বৰৰ বাহনখন। কিন্তু সৌভাগ্যক্ৰমে বিয়াৰ দৰাজন বাহনখনত নথকাত দুৰ্ঘটনাটোৰ পৰা ৰক্ষা পৰে। ইফালে, দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হয় বাহনখনৰ চালকজনৰ লগতে দৰাজনৰ পিতৃ যোগেন দাস। লগে লগে সংকটজনক অৱস্থাত দুয়োকে উদ্ধাৰ কৰি ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পিছত ঘটনাস্থলীত ৰঙিয়া আৰক্ষীৰ দল উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত বাহনখন উদ্ধাৰ কৰে।

# মুছলপুৰত এচিআৰডিৰ উদ্যোগত বাল্যবিবাহ বিৰোধী কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, মুছলপুৰ, ২৮ নৱেম্বৰঃ** ভাৰত চৰকাৰৰ 'বাল্যবিবাহ মুক্ত ভাৰত' আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম চেণ্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডিয়ে ঠায়ে-ঠায়ে বাল্যবিবাহৰ বিৰুদ্ধে যুঁজিবলৈ বিভিন্ন ধৰণৰ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সেই অনুসৰি বাক্সা জিলাৰ মুছলপুৰতো সজাগতা সভা আৰু কেণ্ডেল লাইট মাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বুধবাৰে মুছলপুৰৰ সমীপৱৰ্তী অদালবাৰীস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত অনুষ্ঠিত বাল্যবিবাহ বিৰোধী সজাগতা সভাত উপস্থিত থাকি বাক্সা জিলাৰ উপ-আৰক্ষী অধীক্ষক বদৰুল ইছলাম মজুমদাৰে কয় যে বাল্যবিবাহ ৰোধ কৰাটো খুবেই প্ৰয়োজন। এইক্ষেত্ৰত সকলোৱে সজাগ হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ব্যৱহাৰ নকৰাকৈ নাথাকে, কিন্তু ম'বাইলৰ ভালখিনি গ্ৰহণ কৰি বেয়াখিনি পৰিহাৰ কৰিব লাগিব। তেওঁ সকলোকে প্ৰলোভনৰ পাকচক্ৰত নপৰিবলৈ আহ্বান জনায়। উক্ত সভাত উপস্থিত থাকি বাক্সা জিলা আইন সেৱা প্ৰাধিকৰণ সচিব মনশ্ৰীপৰ্ণা খাউণ্ড, শিশু কল্যাণ সমিতিৰ বিষয়ববীয়া, জিলা শিশু সুৰক্ষা ইউনিটৰ বিষয়া, বাল্যবিবাহ প্ৰতিৰোধী বিষয়াকে ধৰি কেবাগৰাকীও ব্যক্তিয়ে বাল্যবিবাহ ৰোধ সম্পৰ্কত বক্তব্য ৰাখে। সভাত বাল্যবিবাহৰ বিৰুদ্ধে শপত বাক্যও পাঠ কৰা হয়। উক্ত সজাগতা সভাত লাট মণ্ডলসকল, ভিচিডিচিৰ অধ্যক্ষসকল, জৱাহৰ নৱোদয় বিদ্যালয়ৰ শিক্ষকবৃন্দ, বিভিন্ন গাঁৱৰ গাঁও প্ৰধানসকল আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইফালে, সন্ধিয়া বাক্সা জিলাৰ ডুমুনী, দেকাদোং, অৰ্নিবিলকে ধৰি ৩০ খনকৈ গাঁৱত বাল্যবিবাহৰ বিৰুদ্ধে সজাগতা আৰু দৃঢ় স্থিতি গ্ৰহণৰ লক্ষ্যৰে মমবাতি জ্বলাই সমদল উলিয়ায়। উক্ত কাৰ্যসূচীত আৰক্ষীয়ে সহযোগ কৰাৰ লগতে স্থানীয় ৰাইজে সমৰ্থন আগবঢ়ায়।

এক্সেভেটৰৰ চেঁপাত নিহত যুৱক, পৰিয়ালক সাহায্য প্ৰদানৰ দাবী

# পৰ্বতঝোৰাত প্ৰাক্তন আলফা শিবিৰৰ কেম্পাচত অঘটন

**ই-সংবাদ, পৰ্বতঝোৰা, ২৮ নৱেম্বৰঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰামসৰবৰস্থিত প্ৰাক্তন আলফা শিবিৰৰ কেম্পাচত সংঘটিত এক ভয়াৱহ দুৰ্ঘটনাত এজন যুৱক নিহত হয়। নিহত যুৱকজন দামপুৰ দ্বিতীয় খণ্ড গাঁৱৰ জয়নাল হকৰ পুত্ৰ ইছা হক বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ৰামসৰবৰত থকা প্ৰাক্তন আলফা শিবিৰত ডাম্পাৰেৰে মাটি সৰবৰাহ কৰি আছিল যুৱকজনে। এ এছ-১৭ এল-৯৫৯৭ নম্বৰৰ এক্সকেভেটৰৰ সহায়ত মাটিৰ কোঁৰেৰীত ডাম্পাৰত মাটি ভৰ্তি কৰাৰ সময়ত ডাম্পাৰৰ হেণ্ডিমেন হিচাপে থকা যুৱকজন ভৰি পিছলি এক্সেভেটৰৰ তলত পৰি যায়। পাছত এক্সেভেটৰখন যুৱকজনৰ ওপৰেৰে পাৰ হৈ যোৱাত যুৱকজন গুৰুতৰভাৱে আহত হয়। ৰাইজে ততালিকে আহত যুৱকজনক উদ্ধাৰ কৰি ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰাত যুৱকজনক কোচবিহাৰলৈ নিয়ে যদিও তাতে চিকিৎসাধীন অৱস্থাত যুৱকজনৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা যুৱকজনে উক্ত প্ৰাক্তন আলফা শিবিৰৰ কেম্পাচৰ পৰা ৰঙা মাটি কাটি ডাম্পাৰৰ জৰিয়তে বিভিন্ন ঠাইত মাটি সৰবৰাহ কৰি আছিল। ৰঙা মাটি কটাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে নিষেধাজ্ঞা জাৰি কৰিছে যদিও ৰহস্য জনকভাৱে মাটি কটা অব্যাহত থকা বুলি অভিযোগ উত্থাপিত হৈছে। ইপিনে, কৰুণভাৱে মৃত্যু ঘটা যুৱকজনৰ পৰিয়ালক সাহায্য দিবলৈ দাবী জনাইছে ৰাইজে।



তামুলপুৰত আক্ৰাছুৰ প্ৰতিবাদ, বৃহস্পতিবাৰে

# চেলেংহাটৰ ৰাজপথত চলিছে দুৰ্বৃত্তৰ সন্ত্ৰাস

**ই-সংবাদ, মৰিয়নি, ২৮ নৱেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত টীয়ক নামচেচু জগদুৱাৰ চাপৰি পথৰ মাজুনগএগ্ৰা আৰু কুকুৰাচোৱাৰ কনকলতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ জনশূন্য আৰু হাবিৰে পৰিপূৰ্ণ এলেকাটোত যোৱা কিছুদিনৰ পৰা এটা অচিনাক্ত দুৰ্বৃত্তৰ দলে পথচাৰীক মাৰপিট কৰাৰ লগতে ধন তথা অন্যান্য সামগ্ৰী কাঢ়ি সন্ত্ৰাস চলাই আহিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে উক্ত অঞ্চলটোৰ পথছোৱা হাবিৰে পৰিপূৰ্ণ হোৱাৰ বাবে দুৰ্বৃত্তৰ এটি দল উক্ত স্থানত বাহৰ পাতি সন্ধিয়া সময়ত পথচাৰীক আক্ৰমণ কৰি আহিছে। উল্লেখ্য যে উক্ত স্থানত কিছুদিন পূৰ্বে এজন যুৱকক দুজনীয়া এটি দুৰ্বৃত্তৰ দলে আক্ৰমণ কৰাৰ লগতে যুৱকজনৰ বাইকখনৰো ক্ষতি সাধন কৰে। ইফালে, চেলেংহাট আৰক্ষী চকীৰ আৰক্ষীয়ে নিশাৰ ভাগত নিয়মীয়া টহল নিদিয়াৰ বাবেই দুৰ্বৃত্তই ডকাইতিৰ বাবে পথছোৱাত অৱস্থান কৰা বুলি সন্দেহ প্ৰকাশ কৰে স্থানীয় ৰাইজে।

# কলগাছিয়াৰ লাচাংগাক ছানি ধৰিছে অবৈধ জুৱাই, ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, কলগাছিয়া, ২৮ নৱেম্বৰঃ** শাসনাধিষ্ঠিত বিজেপি চৰকাৰে সমাজত ঘটি থকা চুৰি কাণ্ড, ড্ৰাগছ সৰবৰাহ, জুৱা খেল ইত্যাদি বন্ধ কৰাৰ বাবে আৰক্ষী প্ৰশাসনক কঠোৰ নিৰ্দেশ দিছে যদিও একাংশ জুৱাৰীয়ে আৰক্ষীৰ চকুত ধূলি দি জুৱা খেল অব্যাহত ৰখা পৰিলক্ষিত হৈছে। বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত লাচাংগা বজাৰৰ পশ্চিম ফালে চলিছে অবৈধ জুৱা খেল। বৰ্তমান হাইস্কুলত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰী-ছাত্ৰীসকলৰ চলি আছে ইউনিট পৰীক্ষা। আনহাতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাও সমাগত। তাৰ মাজতে স্থানীয় একাংশ ব্যক্তিয়ে নিজৰ মুনাফা আদায়ৰ বাবে কৰি গানৰ গইনা লৈ জুৱা খেল চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। অতি পৰিতাপৰ বিষয় যে, এই ক্ষেত্ৰত নিৰ্বিকাৰ আৰক্ষী প্ৰশাসন। জুৱাৰ এই আড্ডাত চলে লাখ লাখ টকাৰ খেল। জুৱাৰ আড্ডাৰ ফলত অঞ্চলটোত পৰিৱেশ দিনে দিনে বিনষ্ট হৈ পৰিছে। জুৱা খেলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেও জুৱাৰীসকলে অকণো ভ্ৰূক্ষেপ নকৰে। এতিয়া প্ৰশ্ন হয় প্ৰশাসনে জুৱা খেল বন্ধ কৰিবলৈ সক্ষম হ'বনে, নে নিশা হ'লেই কৰি গানৰ গইনা লৈ এনেদৰে জুৱা খেল চলিয়েই থাকিব? সেয়া এক লাখটকীয়া প্ৰশ্ন? সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন(আমছু)ৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিয়ে এই ক্ষেত্ৰত প্ৰশাসনক অবৈধ জুৱা খেল বন্ধ কৰাৰ দাবী জনাইছে।

## শতদল পলাশবাৰী সাহিত্য সভাৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, মিৰ্জা, ২৮ নৱেম্বৰঃ** শতদল পলাশবাৰী সাহিত্য সভাৰ আজি জৰুৰী কাৰ্যনিৰ্বাহক সভাখনি মিৰ্জাস্থিত সাহিত্য সভা ভৱনত অনুষ্ঠিত কৰা হয়। এই উপলক্ষে এই সভাৰ সম্পাদক ৰবীন কুমাৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত সভাপতিত্ব কৰে পলাশবাৰী সাহিত্য সভাৰ সভাপতি গজেন চন্দ্ৰ দাসে। এই সভাতে অসম সাহিত্য সভাৰ আগত ২০২৫-২৭ বৰ্ষৰ বাবে সৰ্বসম্মতিক্ৰমে সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নাম বাছনি কৰা হয়। লগতে এই সভাতে আজীৱন সভ্যৰ প্ৰমাণপত্ৰ, শতদল পলাশবাৰী সাহিত্য সভাৰ আগত ২৮ আৰু ২৯ ডিচেম্বৰত ৬৬ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰা, সভাৰ মুখপত্ৰ 'দখিণ কোল' প্ৰকাশ কৰা আদি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত উপ-সভাপতি বলেন চন্দ্ৰ কলিতাকে ধৰি ভিন্নজনে নিৰ্বাচনৰ বিষয়ত বক্তব্য প্ৰদান কৰে।

# জাঁজী হাঁহচৰাত চোৰে নিলে বাইক

**ই-সংবাদ, মৰিয়নি, ২৮ নৱেম্বৰঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰাৰ বৃহস্পতিবৰীয়া বজাৰৰ পৰা আজি দুৰ্বৃত্তই এখন মটৰ চাইকেল চুৰি কৰি নিয়ে। প্ৰাপ্ত তথ্য অনুসৰি চেলেংহাট টিপমীয়া নিৱাসী নবীন চন্দ্ৰ কুৰ্মীৰ এএছ-০৩ জে-৯১৭৩ নম্বৰৰ ৰঙা ৰঙৰ ছুপাৰ স্প্লেণ্ডাৰ মটৰ চাইকেলখন আজি পুৱা প্ৰায় ৮.৪০ বজাত হাঁহচৰা বৃহস্পতিবৰীয়া বজাৰৰ পৰা চোৰে চুৰি কৰি নিয়ে। মটৰচাইকেলখনৰ গৰাকীয়ে ঘটনা সন্দৰ্ভত টীয়ক থানাত লিখিত অভিযোগ দাখিল কৰিছে যদিও এই পৰ্যন্ত মটৰচাইকেলখনৰ সন্ধেদ পোৱা নাই। উল্লেখ্য যে, শিৱসাগৰ জিলাৰ গৌৰীসাগৰ, জাঁজী, আমগুৰিৰ সাপ্তাহিক বজাৰসমূহৰ লগতে যোৰহাট জিলাৰ জাঁজী হাঁহচৰাৰ সাপ্তাহিক বজাৰৰ পৰা মটৰচাইকেল চোৰৰ দলে ধাৰাবাহিকভাৱে মটৰচাইকেল চুৰি কৰি আহিছে।

# ৰাইদঙীয়াৰ ৰজাগাঁৱত ৰাস উৎসৱত কেলিগোপাল প্ৰদৰ্শন, আপ্লুত দৰ্শক ৰাইজ

**ই-সংবাদ, বেৰেজীয়া, ২৮ নৱেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো অব্যাহত আছে ৰাস উৎসৱৰ আনন্দ-উল্লাস। শৰতৰ পূৰ্ণিমাৰ নিশাৰে পৰাই বৰ্তমানেও জিলাখনৰ গ্ৰামাঞ্চলবোৰৰ ঠায়ে ঠায়ে গঞ্জাৰাইজে উদযাপিত কৰি আহিছে ৰাস মহোৎসৱ। এক কথাত জিলাখনৰ প্ৰান্তে প্ৰান্তে আজিৰ তাৰিখতো ভগৱান শ্ৰীকৃষ্ণৰ ৰাস উৎসৱক কেন্দ্ৰ কৰি বিৰাজমান হৈ আছে উৎসাহ-উদ্দীপনা। তদ্ৰূপ জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াটো ম্লান পৰা নাই ৰাস উৎসৱৰ আনন্দ-উছাহ। কিয়নো, বুধবাৰে ৰাইদঙীয়াৰ ৰজাগাঁৱত উদযাপিত ৰাস উৎসৱত দেখা যায় তেনে এক উৎসৱমুখৰ পৰিৱেশ। বিগত বৰ্ষবোৰৰ দৰে এইবাৰো ৰজাগাঁৱত বেছ ওলহ-মালহেৰে উদযাপিত ৰাস উৎসৱৰ প্ৰথম দিনা ভাগৱত ভ্ৰমণ, নাম-কীৰ্তন আদি বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ লগতে নিশা প্ৰদৰ্শন কৰা হয় 'কেলিগোপাল' নাট। ফলত কৃষ্ণ বন্দনাৰে মুখৰিত হৈ পৰে ৰাস উৎসৱস্থলীৰ আকাশ-বতাহ। গাঁওখনৰ এই ৰাস উৎসৱত সুন্দৰভাৱে মহিলাৰ দ্বাৰা প্ৰদৰ্শিত কেলিগোপাল নাটখনি উপস্থিত সহস্ৰাধিক দৰ্শকে পুৱতি নিশালৈকে উপভোগ কৰে।

# কোকৰাঝাৰৰ কদমগুৰিৰ মেলেৰিয়া আক্ৰান্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী কেশৱ মহন্তৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ নৱেম্বৰঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ সমীপৰ লুংচুং এলেকাত মেলেৰীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত আজি ৰাজ্যৰ মন্ত্ৰী কেশৱ মহন্তই লুংচুং এলেকাৰ কদমগুৰিৰ মেলেৰিয়া আক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰী কেশৱ মহন্তৰ পৰিদৰ্শনকালত স্থানীয় বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ই মন্ত্ৰীগৰাকীক সংগ দিয়ে। মেলেৰিয়াপ্ৰৱণ এলেকা পৰিদৰ্শনৰ অন্তত সংবাদমাধ্যমৰ আগত মন্ত্ৰী কেশৱ মহন্তই কয় যে মেলেৰীয়া ৰোগ ৰোধ কৰিবলৈ ঔষধকে ধৰি আন সকলো প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে। ইতিমধ্যে গুৱাহাটীৰ পৰা মেলেৰিয়া বিশেষজ্ঞ চিকিৎসক কোকৰাঝাৰত উপস্থিত হৈছে। যিহেতু অঞ্চলটো বনাঞ্চলৰ অন্তৰ্ভুক্ত গতিকে তাত স্থায়ী নিৰ্মাণকাৰ্য কৰাত অসুবিধা আছে যদিও অস্থায়ীভাৱে হ'লেও উক্ত অঞ্চলত স্বাস্থ্যকৰ্মী থকাৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অঞ্চলটোত তিনিগৰাকী আশাকৰ্মী আছে আৰু সেয়েহে ৬-৭ গৰাকী আশাকৰ্মী দুই এদিনৰ ভিতৰতে নিযুক্তি দিয়া হ'ব বুলি মন্তব্য কৰি ঔষধ, আঁঠুৰাকে ধৰি সকলো প্ৰয়োজনীয় সামগ্ৰী দুই এদিনৰ ভিতৰতে আৰু পৰ্যাপ্ত পৰিমানে যোগান ধৰা হ'ব বুলি সদৰি কৰিছে মন্ত্ৰী কেশৱ মহন্তই। তদুপৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে ইতিমধ্যে ১২০০ আঁঠুৰা যোগান ধৰা হৈছে যদিও লোকসকলৰ মাজত আঁঠুৰা ব্যৱহাৰ কৰাৰ অভ্যাস নাই আৰু তেওঁলোকে সেয়া মাছ মাৰিবলৈহে আঁঠুৰা ব্যৱহাৰ কৰিছে বুলি মন্তব্য কৰি এইক্ষেত্ৰত শিক্ষক , অঞ্চলটোৰ গণ্যমান্য ব্যক্তিসকল, আদিৱাসী ছাত্ৰ সন্থাই নেতৃত্ব বহন কৰি অঞ্চলটোত সজাগতামূলক সভা আয়োজন কৰিবলৈ আহ্বান জনাইছে মন্ত্ৰী কেশৱ মহন্তই। অহা ১০-১৫ দিনৰ ভিতৰত লুংচুং এলেকাত স্বাস্থ্যবিভাগৰ দলে মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব বুলিও মন্তব্য কৰিছে মন্ত্ৰী কেশৱ মহন্তই। উল্লেখ্য যে লুংচুং এলেকাত মেলেৰীয়াৰ ভয়াৱহ ৰূপ সন্দৰ্ভত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হোৱাৰ পিছত হে স্বাস্থ্য বিভাগৰ গা লৰে। মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ ৪ বছৰীয়া কিশোৰীসহ ৫ জন লোকৰ ইতিমধ্যে মৃত্যু হৈছে। ২০২৩ চনত কোকৰাঝাৰ জিলাখনত ২৫৬ জন লোক মেলেৰিয়া ৰোগত আক্ৰান্ত হৈছিল। ২০২৪ চনৰ ২৫ নৱেম্বৰৰ ভিতৰত এই সংখ্যা ২০৯৬ জনলৈ বৃদ্ধি পাইছে। আজি মন্ত্ৰীৰ উপস্থিতিতে ১৬০ গৰাকী লোকৰ তেজ পৰীক্ষা কৰাত ৪৪ জন লোকৰ দেহত মেলেৰীয়া ৰোগ ধৰা পৰে। অঞ্চলটোত কিছুমান লোকৰ দেহত জ্বৰ নাথাকিলেও তেজ পৰীক্ষা কৰাত মেলেৰীয়া ধৰা পৰিছে বুলি মন্ত্ৰী কেশৱ মহন্তই সদৰি কৰে। প্ৰণিধানযোগ্য যে বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' স্বাস্থ্যবিভাগ চলোৱাত ব্যৰ্থ হোৱা বুলি অভিযোগ উঠিছে। কাৰ্যবাহী সদস্যগৰাকীয়ে অকল নিজৰ সমষ্টি ফকিৰাগ্ৰামতে "শ্বঅফ" কৰি থকা কাৰ্য বহুতৰে দৃষ্টিগোচৰ হৈছে। অৰূপ কুমাৰ দে'ই স্বাস্থ্যবিভাগৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বত থকাৰ পিছতো নিজ সমষ্টিৰ বাহিৰে আন কতো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে আৰু এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক বিটিচিৰ স্বাস্থ্য বিভাগৰ দায়িত্বৰ পৰা অৰূপ কুমাৰ দে'ক আঁতৰাই দিবলৈ সচেতন মহলে দাবী জনাইছে।

# শিৱসাগৰ যুৱদলত অঞ্জলি দত্ত স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন, ১৯ গৰাকীলৈ জলপানি

**ই-সংবাদ, শিৱসাগৰ, ২৮ নৱেম্বৰঃ** শিৱসাগৰ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু দ্য অঞ্জন দত্ত ফাউণ্ডেচনৰ সহযোগত কালি শিৱসাগৰ যুৱদলত অঞ্জলি দত্ত সোঁৱৰণী বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ‘অসমীয়া ভাষা সাহিত্যৰ প্ৰাচীনত্ব বিচাৰ আৰু ধ্ৰুপদী মৰ্যাদাঃ চিন্তা-দুঃশ্চিন্তা’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি যোৰহাট জগন্নাথ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ জ্যোতিৰেখা হাজৰিকাই অসমীয়া ভাষাৰ জন্ম বৃত্তান্ত আৰু ইয়াৰ প্ৰাচীন ইতিহাসৰ বিষয়ে সাৱলীল বক্তৃতা প্ৰদান কৰি কয় যে আমাৰ ভাষাটো বৈচিত্ৰ্যময়। অমসীয়া ভাষা আৰু বাংলা ভাষাৰ উচ্ছাৰণ একে নহয়। বাংলা ভাষাত দন্ত্য আৰু মৰ্ধন্য ধ্বনি আছে, কিন্তু আমি কোৱা ভাষাটোত দন্ত্য আৰু মৰ্ধন্যৰ উচ্চাৰণ নাই। আৰ্য আৰু আৰ্যবিন্যৰ ভাষাৰ সুসমন্বয়তহে অসমীয়া ভাষাটোৰ প্ৰক্ৰিয়া গঠন হৈছিল। আনহাতে, বিদ্যায়তনিক দিশৰ পৰা চাবলৈ গ'লে সংস্কৃত ভাষা সকলো ভাৰতীয় ভাষাৰ মাতৃ বুলি উল্লেখ কৰি ড০ হাজৰিকাই সংস্কৃত ভাষাই বহু পলমকৈহে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিলে বুলিও উল্লেখ কৰে। একেদৰে ২ অক্টোবৰত ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা পালী ভাষাক অশোকৰ অনুশাসনৰ ভাষা বুলি উল্লেখ কৰি হাজৰিকাই বুদ্ধৰ পালন আৰু ৰক্ষা কৰা নীতিকেই পালী ভাষা হিচাপে জনা যায় বুলি মন্তব্য কৰে। অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কে মন্তব্য কৰি ড০ হাজৰিকাই ভাষাটো শুদ্ধকৈ উচ্চাৰণ আৰু সঠিক ৰূপত লিখিব লাগে বুলি বক্তব্য আগবঢ়ায়। শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি তথা গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই আদৰণি ভাষণত অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰাত উৎসাহিত হোৱাৰ সমানেই কিছু পৰিমাণে উদ্বিগ্ন বুলিও মন্তব্য কৰি ভাষাৰ প্ৰতি অহা প্ৰত্যাহ্বানৰ বিষয়েও মন্তব্য কৰে। ভাষাটোৰ প্ৰতি আমাৰ থাকিবলগীয়া দায়বদ্ধতা তথা উত্তৰণৰ হকে কৰণীয় কাৰ্যৰ বিষয়ে চিন্তা-চৰ্চাৰ কৰাৰ সময়ো আহি পৰিছে বুলি মন্তব্য কৰি অসমীয়া মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অভাৱ আৰু অসমীয়া গ্ৰন্থৰ প্ৰচাৰ-প্ৰসাৰ হ্ৰাস পোৱাটো চিন্তাৰ অন্যতম কাৰণ বুলি ড০ মহন্তই উল্লেখ কৰে। প্ৰাক্তন মন্ত্ৰী প্ৰয়াত অঞ্জন দত্ত আৰু অঞ্জলী দত্তৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে বক্তৃতানুষ্ঠানটো শুভ উদ্বোধন কৰি অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে প্ৰয়াত মন্ত্ৰীগৰাকীৰক সোঁৱৰণ কৰি ৰাজনীতিৰ সমানে তেখেতৰ সাহিত্যচৰ্চাৰ বিষয়েও মন্তব্য কৰে। অধ্যাপ্ৰিয়া দত্তৰ সত্ৰীয়া নৃত্যৰে শুভাৰম্ভণি কৰা বক্তৃতানুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰয়াত অঞ্জন দত্তৰ সহধৰ্মিনী অনন্যা দত্ত, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্ত, জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মাখন কলিতা, সাদিন-প্ৰতিদিন গোষ্ঠীৰ পৰিচালক সঞ্চালিকা স্মিতাক্ষী বৰুৱা গোস্বামীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানত ড০ অংকিতা দত্তই দ্য অঞ্জন দত্ত ফাউণ্ডেচনৰ সামাজিক দায়বদ্ধতাৰ বিষয়ৰ লগতে শৈক্ষিক ক্ষেত্ৰত আগবঢ়োৱা বিভিন্ন দিশৰ কথা উনুকিয়ায়। এই অনুষ্ঠানতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিৱসাগৰ জিলাৰ ১৯ গৰাকীকৈ মেধাৱী ছাত্ৰ-ছাত্ৰীক দ্য অঞ্জন দত্ত ফাউণ্ডেচনৰ তৰফৰ পৰা নগদ ৭০০০ টকা, এখন মানপত্ৰ, গ্ৰন্থসহ মেধা জলপানি প্ৰদান কৰা হয়। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি ড০ নিৰুপমা মহন্ত, অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা বিনীতা শইকীয়া দে, অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকা, বিশিষ্ট অধিবক্তা হাৰুন উল ৰছিদ, শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি অতনু বৰাৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# কাৰাটেত ৰূপৰ পদকেৰে উজলিল চাহ জনগোষ্ঠীৰ কন্যা জোনমণি



**ই-সংবাদ, তিতাবৰ, ২৮ নৱেম্বৰঃ** কাৰাটে ইণ্ডিয়া অৰগেনাইজেশ্যনে অলপতে দিল্লীৰ তালকাটোৰা ইনড'ৰ ষ্টেডিয়ামত অনুস্থিত কৰা কে আইঅ'কাপ প্ৰিমিয়াৰ লীগ আৰু য়ুথ লীগ কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি নগাধুলি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জোনমণি মুণ্ডাই ৪২ কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। জোনমণিয়ে আশীহাৰা কাৰাটে স্কুল অব অসম যোৰহাটৰ অন্তৰ্গত নগাধুলিৰ কাৰাটে কিডছ জ'নত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। জোনমণিৰ এই সাফল্যই সকলোকে আনন্দিত আৰু গৌৰৱান্বিত কৰি তুলিছে। গোৱাত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে খেলুৱৈগৰাকী সাজু হোৱা বুলি জানিব পৰা গৈছে।

# ৰঙিয়াত অসম ভিত্তিত বেডমিণ্টন

**ই-সংবাদ, ৰঙিয়া,২৮ নৱেম্বৰঃ** ৰঙিয়াত উদয়ন সংঘৰ সৌজন্যত সদৌ অসম ভিত্তিত প্ৰয়াত পয়োধৰ ডেকা আৰু সুৰেন কলিতাৰ সোঁৱৰণত দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত দুদিনীয়াকৈ আয়োজন কৰা প্ৰতিযোগিতাৰ প্ৰথম দিনা সন্ধিয়া খেল উদ্বোধন কৰিব স্থানীয় বিধায়ক তথা বিজেপি দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই। উদ্বোধনী কাৰ্যসূচীৰ লগত সংগতি ৰাখি চাৰিগৰাকী প্ৰাক্তন খেলুৱৈ ক্ৰমে ডাঃ চন্দ্ৰধৰ ডেকা, শংকৰ ভগত, বীৰেন কলিতা আৰু সুভাষ চৌধুৰীক সম্বৰ্দ্ধনা জনোৱা হ'ব। আনহাতে দ্বিতীয় দিনা চূড়ান্ত খেলৰ উদ্বোধন কৰিব সাংসদ দিলীপ শইকীয়াই।




ইংলেণ্ডৰ বিৰুদ্ধে চলিত প্ৰথম টেষ্টত কিৱি বেটাৰ উইলিয়ামছন আৰু ৰবীন্দ্ৰ, ক্ৰাইষ্টচাৰ্চত বৃহস্পতিবাৰে

## নগাঁৱত ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল

# কোৱাৰ্টাৰ ফাইনেলত গোসাইগাঁৱৰ গ্ল'বেল এফচি

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৮ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আকৰ্ষণীয় পৰ্যায়ত উপনীত হোৱা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত গোসাইগাঁৱৰ গ্ল'বেল এফ চিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ বৃহস্পতিবাৰৰ খেলখনত গ্ল'বেল এফ চিয়ে নগাঁৱৰ প্ৰথম ডিভিজন ফুটবল লীগ চেম্পিয়ন অল্লান গোষ্ঠীক ২-০ গ'লত পৰাজিত কৰে। খেলখনৰ ২৫ মিনিটত গ্ল'বেল এফ চিৰহৈ বিন্দিনা নাৰ্জাৰীয়ে গ'ল দি বিৰতিলৈ নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়াৰ পিছত ৭০ মিনিটত কৌৰমশ্ৰাৰ নাৰ্জাৰীয়ে আন এটা গ'ল স্ক'ৰেৰে গ্ল'বেল এফ চিৰ ২-০ গ'লত বিজয় নিশ্চিত কৰে। বৃহস্পতিবাৰৰ খেলখনত গ্ল'বেল এফ চিৰ গ'লৰক্ষক ৰাইডাও ব্ৰহ্মই দৃষ্টিনন্দন প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। মনকৰিবলগীয়া যে, অল্লান গোষ্ঠীৰ ফুটবল দলটোৱে আজি পৰাজয়বৰণ কৰিলেও দলটোৰ খেলুৱৈসকলৰ সংঘবদ্ধ খেলে স্থানীয় ক্ৰীড়াপ্ৰেমীক মুগ্ধ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী নিৰ্মল ভট্টাচাৰ্যীক সহায় কৰে কৃষ্ণকান্ত দাস, চুচাং আও আৰু ৰয়েল ইছলামে। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসৰ লগতে প্ৰতিযোগিতাৰ প্ৰেছ এণ্ড পাব্লিচিটী উপ সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, শুকুৰবাৰে নগাঁৱৰ প্ৰথম ডিভিজন ফুটবল লীগৰ ৰাণাৰ্ছআপ ষ্টাৰ স্প'ৰ্টিং ক্লাবে লখিমপুৰৰ টিউলিপ স্প'ৰ্টছ একাডেমীৰ বিৰুদ্ধে খেলিব।

# বড়ো শ্বহীদ কাপ ফুটবলৰ ছেমি ফাইনেলত ঠাবাল এফচি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৮ নৱেম্বৰঃ** হোজাইৰ ঠাবাল এফ চি দল কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত উপনীত হৈছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত ঠাবাল এফ চিয়ে উন্নত প্ৰদৰ্শনেৰে পশ্চিম কাৰ্বি আংলঙৰ ডংকাম'কাম ক্ৰীড়া সন্থাক ৩-০ গ'লত পৰাজিত কৰে। খেলখনৰ ২৩ মিনিটত ঠাবাল এফ চিৰহৈ জে বিয়ে প্ৰথমটো গ'ল দিয়াৰ পিছত ২৪ মিনিটত মহেশ চান্দে আৰু ৩৪ মিনিটত চানা থ'য়ে ঠাবাল এফ চিৰহৈ বিৰতিৰ আগতেই ক্ৰমে গ'লকেইটা দি দলটোৰ বিজয় নিশ্চিত কৰে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ধনেশ শ্বাহক সহায় কৰে বাজু টিচ', অমন বৰদলৈ আৰু নিজম তামুলাৰী (চতুৰ্থ) য়ে। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখলাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, কাইলৈ বিয়লি ডেৰ বজাত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত ৰহাৰ কটহগুৰি এফ চিয়ে পশ্চিম কাৰ্বি আংলঙৰ খেৰণিৰ ফেলকন এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি